# ASSAM LEGISLATIVE ASSEMBLY
# UNSTARRED QUESTION NO. 1
# DATE OF REPLY: 17/02/2026

**Sub: Project of Eco-tourism.**

**Shri Sirajuddin Ajmal, Hon'ble MLA**

## ::Questions::

**Will the Minister of Tourism Department be pleased to state:**

(a) How many projects of Eco tourisms have been sanctioned by the Government in the state during the current year and in the last financial year ? Please provide that the list of the Eco tourisms projects have already been sanctioned in the state district- wise.

(b) Whether the Government is aware that thousands of tourists visit Akashiganga and Buriganga sites under Akashiganga GP in Jamunamukh LAC for winter picnic ? Both the spots are located at a scenic foothills inter connected by a planned forestation nearby too.

(c) Will the Government take all the required initiations to convert the place into a tourist attraction under Eco Tourism now onwards ? If so give in details.

## ::Answers::

**Hon'ble Minister of Tourism, Shri Ranjeet Kumar Dass will give the reply:**

(a) Eco Tourism aspects is always a concern for tourism infrastructure development and preparation in DPR by Tourism Department, Govt. of Assam.

Eco Tourism aspects has been considered in the following projects:

1. Swadesh Darshan 2.0 sanctioned by Govt. of India during the financial year 2024- 2025 at
   (i) Reimagining Cinnamara Tea Estate, Jorhat
   (ii) Kokrajhar Wetland Experience, Kokrajhar
2. Panidehing Bird Sanctuary, Sivasagar in Assam under Challenge Based Destination Development projects of Govt of India.
3. Jongal Balahu Tourism Development Infrastructure at Jongal Balahu Archaeological Site under Government of Assam.

(b) Tourism Department, Govt. of Assam is aware about the tourist spots of Akashiganga and Buriganga sites in Jamunamukh LAC, Hojai district. In the year 2009-10, the Ministry of Tourism, Govt. of India sanctioned a tourist circuit and accordingly Tourism Department, Govt. of Assam had taken up the project at Akashiganga with the components viz. Guest house, external water supply and some other allied works which was completed and being in use.

(c ) Government may take up initiatives for infrastructure development in and around Akashiganaga and Buriganaga subject availability of Fund.

********

The reply is also submitted in NeVA portal of ALA

অসম বিধান সভা
তৰা বিহীন প্ৰশ্ন নং – ২
উত্তৰ দিয়াৰ তাৰিখ- ১৭/০২/২০২৬

*বিষয়ঃ* **MGNREGA/PMAY-G আঁচনি**
বিধায়কঃ শ্ৰীনজৰুল হকঃ

প্ৰশ্ন

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) MGNREGA ৰ অধীনত কি কি আঁচনি গ্ৰহণ কৰি ৰূপায়ণ কৰিব পাৰি ? MGNREGAৰ অধীনত গ্ৰহণ কৰা আঁচনিসমূহৰ বাবে সৰ্বোচ্চ কিমান টকাৰ পুঁজিৰ আবণ্টন পাব পাৰি? (আঁচনিৰ ম আৰু আঁচনিৰ ভিত্তিত পুঁজিৰ পৰিমাণ সদনৰ মেজত দাখিল কৰিব।)

(খ) VVRAM-G আঁচনিটো কাৰ্য্যকৰী হ'লে পূৰ্বৰ MGNREGA ৰ আঁচনিসমূহ কি হিচাপে বিবেচিত হ'ব?

(গ) PMAY-G আঁচনিযোগে ২০২১-২২ বিত্তীয় বৰ্ষৰ পৰা বৰ্তমানলৈকে অসমত কিমানজন হিতাধিকাৰীয়ে ঘৰ লাভ কৰিছে? (জিলা ভিত্তিত তালিকা দিব।)

(ঘ) Geo-Tag হৈ যোৱা লোকসকল হিতাধিকাৰী তালিকাত অন্তৰ্ভুক্তি হৈছেনে? যদি হৈছে, তেওঁলোকে কেতিয়ালৈ ঘৰ পাব ?

উত্তৰ

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী **শ্ৰীযুত ৰণজিৎ কুমাৰ দাস** দেৱে উত্তৰ দিবঃ

(ক) মহাত্মা গান্ধী এনৰেগাৰ Annual Muster Circular 2024-25 অনুসৰি ভাৰত চৰকাৰৰ কেন্দ্ৰীয় গ্ৰামোন্নয়ণ মন্ত্ৰালয়ে মহাত্মা গান্ধী এনৰেগাৰ অধীনত Permissible হিচাপে বিবেচনা কৰা মুঠ কামৰ সংখ্যা হৈছে ২৬৬ টা।

এই ২৬৬ টা Permissible কামৰ তালিকা "**পৰিশিষ্ট-ক**" ত সংলগ্ন কৰা হ'ল।

মহাত্মা গান্ধী এনৰেগাৰ অধীনত গ্ৰহণ কৰা আঁচনি সমূহৰ বাবে পুঁজিৰ আৱণ্টনৰ ক্ষেত্ৰত কোনো নিৰ্দিষ্ট সীমা নাই। প্ৰতিটো গাঁও পঞ্চায়তে স্থানীয় প্ৰয়োজনীয়তাৰ ওপৰত ভিত্তি কৰি গাঁও সভা যোগে Annual Action Plan প্ৰস্তুত কৰে। Annual Action Plan অনুযায়ী ৰূপায়ণ কৰিবলগীয়া আঁচনিসমূহৰ প্ৰাক-কলন প্ৰস্তুত কৰা হয় আৰু প্ৰাক-কলন মতে আঁচনিটোৰ ৰূপায়ণ ব্যয়ৰ আনুমানিক পুঁজিৰ পৰিমাণ নিৰ্ধাৰণ কৰা হয়।

(খ) ভাৰত চৰকাৰৰ গ্ৰামোন্নয়ণ মন্ত্ৰালয়ে ৰাজ্যসমূহৰ সৈতে VB G RAM G ৰ সন্দৰ্ভত ৩০ জানুৱাৰী, ২০২৬ ত Video conference যোগে অনুষ্ঠিত কৰা বৈঠকৰ কাৰ্যবিৱৰণীৰ 4.3.1 ত স্পষ্টভাৱে উল্লেখ আছে যে VBG RAM G-ৰ অধীনত কোনো আঁচনি তথা কাম আৰম্ভ কৰাৰ আগতে পূৰ্বৰ MGNREGA ৰ অধীনত চলিত কাম কাজ বোৰ সম্পূৰ্ণ কৰাত প্ৰাথমিক গুৰুত্ব দিব লাগিব। অৰ্থাৎ VBG RAM Gৰ অধীনত নতুন কোনো কাম কৰাৰ আগত পূৰ্বৰ MGNREGA কাম সমূহ অগ্ৰাধিকাৰ দি শেষ কৰাত গুৰুত্ব প্ৰদান কৰিব লাগিব।

উক্ত বৈঠকৰ কাৰ্যবিৱৰণীৰ 4.3.1 দফা "**পৰিশিষ্ট খ**" ত সংলগ্ন কৰা হ'ল।

(গ) প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ) ৰ অধীনত, অসমত বিত্তীয় বৰ্ষ ২০২১-২২ ৰ পৰা বৰ্তমানলৈ মুঠ ২১,৬০,৮৫৩ জন হিতাধিকাৰীয়ে ঘৰ লাভ কৰিছে। ইয়াৰে জিলা ভিত্তিক হিতাধিকাৰী তালিকা "**পৰিশিষ্ট গ**" ত সংলগ্ন কৰা হ'ল।

(ঘ) প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ) ৰ অধীনত Awaas+ 2024 জৰীপৰ দ্বাৰা অসমত ইতিমধ্যে ৩৪,৯৯,১১৮ টা পৰিয়ালৰ জৰীপ কৰা হৈছে। বৰ্তমান ভাৰত চৰকাৰৰ গ্ৰামোন্নয়ন মন্ত্ৰালয়ৰ নীতি নিৰ্দেশনা অনুসৰি এই জৰীপ হৈ যোৱা পৰিয়ালসমূহৰ সত্যাপনৰ (Verification) ৰ কাম সমগ্ৰ দেশৰ লগতে অসমতো হৈ আছে। এই সত্যাপন প্ৰক্ৰিয়া সমাপ্ত হোৱাৰ পিছত ভাৰত চৰকাৰৰ গ্ৰামোন্নয়ণ মন্ত্ৰালয়ৰ দ্বাৰা যোগ্য হিতাধীকাৰীৰ এক স্থায়ী অপেক্ষাকৃত তালিকা (Permanent Wait List) প্ৰস্তুত কৰা হ'ব।

(সংলগ্ন পত্ৰ সমূহ '**cms.neva.gov.in**' পোৰ্টেলত আপলোড কৰা হৈছে)
(Enclosures are uploaded in the '**cms.neva.gov.in**' portal.)

*******

অসম বিধান সভা
তৰা বিহীন প্ৰশ্ন নং – ৩
উত্তৰ দিয়াৰ তাৰিখ- ১৭/ ০২/২০২৬

*বিষয়ঃ* **PMAY সম্পৰ্কে**
বিধায়কঃ শ্ৰীআফতাব উদ্দিন মোল্লা:

প্ৰশ্ন

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) জলেশ্বৰ সমষ্টিৰ জলেশ্বৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত সৰ্বমুঠ কিমান PMAYৰ অধীনত ঘৰ আবণ্টন দিয়া হৈছে? তাৰে ভিতৰত কিমানটা ঘৰ সম্পূৰ্ণ হৈ উঠিছে আৰু কিমান ঘৰ এতিয়াও সম্পূৰ্ণ হোৱা নাই? তথ্য সহকাৰে জনাব।

(খ) PMAYৰ ঘৰবোৰৰ টকাবোৰ মোকলাই দিওঁতে পলম হোৱাৰ বিষয়ে চৰকাৰ অৱগত নে? যদি অৱগত, ইয়াৰ বাবে কিবা ব্যৱস্থা হাতত লৈছে নে? তথ্য সহকাৰে জনাব।

উত্তৰ

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী **শ্ৰীযুত ৰণজিৎ কুমাৰ দাস** দেৱে উত্তৰ দিবঃ

(ক) জলেশ্বৰ সমষ্টিৰ জলেশ্বৰ উন্নয়ন খণ্ডত **PMAY-G**ৰ অধীনত সৰ্বমুঠ **১৯,৭৯০**টা চৰকাৰী আৱাস গৃহ অনুমোদন জনোৱা হৈছে। ইয়াৰে **১১,২৪০** টা আৱাস গৃহৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ হৈছে। আৰু বাকী থকা **৮,৫৫০** টা আৱাস গৃহৰ নিৰ্মাণ কাৰ্য্য চলি আছে।ইয়াৰ খণ্ড উন্নয়ন ভিত্তিক আৰু পঞ্চায়ত ভিত্তিক গৃহৰ সবিশেষ তথ্য তলত উল্লেখ কৰা হ'ল—

| **ক্ৰমিক নং** | **বিধানসভাৰ নাম** | **উন্নয়ন খণ্ডৰ নাম** | **পঞ্চায়ত** | **অনুমোদন দিয়া গৃহৰ সংখ্যা** | **নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ কৰা গৃহৰ সংখ্যা** | **নিৰ্মাণ কাৰ্য্য চলি থকা গৃহৰ সংখ্যা** |
|---|---|---|---|---|---|---|
| ১ | জলেশ্বৰ | জলেশ্বৰ | গোসাইডুবি | ১১১৯ | ৭৩৯ | ৩৮০ |
| ২ | জলেশ্বৰ | জলেশ্বৰ | গুৰিয়াঢাপ | ৬৮৯ | ৩৪৫ | ৩৪৪ |
| ৩ | জলেশ্বৰ | জলেশ্বৰ | সাচঁদুবাগৌৰনগৰ | ১৩৮৯ | ৬৬৭ | ৭২২ |
| ৪ | জলেশ্বৰ | জলেশ্বৰ | জলেশ্বৰ | ২৮৫৬ | ২১৪৪ | ৭১২ |
| ৫ | জলেশ্বৰ | জলেশ্বৰ | কটৰিসাৰা | ১৬৮৯ | ১১১১ | ৫৭৮ |
| ৬ | জলেশ্বৰ | জলেশ্বৰ | কথুৰি মনকলা সেইলধাৰা | ৮০২ | ৫২৮ | ২৭৪ |
| ৭ | জলেশ্বৰ | জলেশ্বৰ | খালিশ্বৰ্ভিতা | ২৫২৬ | ৮৮৪ | ১৬৪২ |
| ৮ | জলেশ্বৰ | জলেশ্বৰ | মনকলা সেইলধোৱা | ৪৫৯ | ৪২১ | ৩৮ |
| ৯ | জলেশ্বৰ | জলেশ্বৰ | ৰাজমিতা | ২২০৫ | ১২৭৯ | ৯২৬ |
| ১০ | জলেশ্বৰ | জলেশ্বৰ | চিমলাবাৰী | ২৬২২ | ৯৭২ | ১৬৫০ |
| ১১ | জলেশ্বৰ | জলেশ্বৰ | টাকিমাৰী | ১২৬২ | ৪০৭ | ৮৫৫ |
| ১২ | জলেশ্বৰ | জলেশ্বৰ | টাকিমাৰী হাগুৰিপাৰা | ৩৬৯ | ১১৯ | ২৫০ |
| ১৩ | জলেশ্বৰ | জলেশ্বৰ | টৰংগপুৰ | ১৮০৩ | ১৬২৪ | ১৭৯ |
| **১৪** | | | **মুঠ** | **১৯৭৯০** | **১১২৪০** | **৮৫৫০** |

(খ) ২০২৫ বৰ্ষৰ আগষ্ট মাহৰ পৰা কেন্দ্ৰীয় চৰকাৰে প্ৰধান মন্ত্ৰী আৱাস যোজনা - গ্ৰামীণকে আদি কৰি কেন্দ্ৰীয় পৃষ্ঠপোষকতা প্ৰাপ্ত আঁচনিসমূহৰ কিস্তি মোকলাই দিয়াৰ বাবে **SNA- SPARSH** নামৰ এক নতুন ব্যৱস্থা গ্ৰহণ কৰিছে।

এই নতুন ব্যৱস্থাটো গ্ৰহণ কৰাৰ বাবে PMAY-G ঘৰ নিৰ্মাণৰ বাবে কিস্তি পৰিশোধত কিছু পলম হৈছে কিয়নো প্ৰথম অৱস্থাত সমগ্ৰ অসমৰ প্ৰত্যেকটো উন্নয়ন খণ্ডৰ ব্যৱস্থা সলনি হওঁতে সময়ৰ আৱশ্যক আছিল। তদুপৰি এই ব্যৱস্থাত প্ৰতিটো Payment File AwaasSoft, ৰাজ্যৰ বিত্ত বিভাগ, গ্ৰামোন্নয়ন মন্ত্ৰালয়, PFMS, RBI, NPCI আদি একাধিক স্তৰৰ মাজেৰে পাৰ হ'বলগীয়া হয়, যাৰ ফলত সমগ্ৰ প্ৰক্ৰিয়াত বেছি সময়ৰ প্ৰয়োজন হৈ আছে। তথাপি এই নতুন প্ৰক্ৰিয়াটো লাহে লাহে সুস্থিৰ হৈ আহিলে আগৰদৰেই বিলম্ব নোহোৱাকৈ হিতাধিকাৰীয়ে কিস্তি লাভ কৰিব।

*******

# অসম বিধান সভা

## তৰাবিহীন প্ৰশ্ন নং – ৪

## উত্তৰ দিয়াৰ তাৰিখ : ১৭/০২/২০২৬

বিধায়কৰ নাম : শ্ৰীমতী দিপ্তীময়ী চৌধুৰী

বিষয় : গুৱাহাটীত ট্ৰেড লাইচেঞ্চ আৰু কৃত্ৰিম বানপানী

**: প্ৰশ্ন :**

**মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

(ক) গুৱাহাটী পৌৰ নিগমৰ বৰ্তমান কিমান ট্ৰেড লাইচেঞ্চ Issue হৈছে ? পৌৰ নিগম জ্ঞাত নে, গুৱাহাটীত কিছু সংখ্যকে ট্ৰেড লাইচেঞ্চ অবিহনে ব্যৱসায় বাণিজ্য চলাই আছে ? যদি জ্ঞাত, পৌৰ নিগমে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

(খ) গুৱাহাটীৰ পৌৰ নিগমে ২০২২-২৩, ২০২৩-২৪, ২০২৪-২৫ আৰু ২০২৫-২৬ ৰ বৰ্তমানলৈ কি কি উন্নয়ন মূলক বা সৌন্দৰ্য বৰ্ধনৰ কাম কৰিছে ? আঁচনিৰ নাম, পুঁজি, আঁচনিৰ খতিয়ান বিস্তাৰিত ভাৱে জনাব ।

(গ) গুৱাহাটীৰ কৃত্ৰিম বানপানী ৰোধৰ বাবে গুৱাহাটী পৌৰ নিগম, GMDA ২০২৪-২৫ আৰু ২০২৫-২৬ ৰ বৰ্তমানলৈ কি কি আঁচনি গ্ৰহণ কৰিছে ?

(ঘ) গুৱাহাটীৰ কৃত্ৰিম বানপানী ৰোধৰ বাবে গুৱাহাটী পৌৰ নিগম আৰু জি এম ডি এৰ আৰু কি পৰিকল্পনা আছে ? বিস্তাৰিতভাৱে জনাব ।

**: উত্তৰ :**

**গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী জয়ন্ত মল্ল বৰুৱাদেৱে উত্তৰ দিব–**

(ক) গুৱাহাটী পৌৰ নিগমৰ দ্বাৰা ইংৰাজী ০৭-০২-২০২৬ (বিত্তীয় বৰ্ষ ২০২৫-২৬) লৈকে সৰ্বমুঠ ৭৭,৭৭৮ খন ট্ৰেড লাইচেঞ্চৰ জাৰি কৰা হৈছে ।

বাণিজ্যিক অনুজ্ঞাপত্ৰ অবিহনে চলি থকা দোকানসমূহ মণ্ডল কাৰ্যালয়ৰ পৰা অনুজ্ঞাপত্ৰ নিৰীক্ষণকাৰী দলে নিজেই পৰীক্ষা কৰি জৰিমনা বিহে ।

(খ) গুৱাহাটীৰ পৌৰ নিগমে ২০২২-২৩, ২০২৩-২৪, ২০২৪-২৫ আৰু ২০২৫-২৬ ৰ বৰ্তমানলৈ হাতত লোৱা বিভিন্ন উন্নয়ন মূলক তথা সৌন্দৰ্য বৰ্ধনৰ আঁচনিৰ সবিশেষ **পৰিশিষ্ট 'ক'**ত সন্নিবিষ্ট কৰা হৈছে ।

(গ) গুৱাহাটী কৃত্ৰিম বানপানী ৰোধৰ বাবে GMDAএ ২০২৪-২৫ আৰু ২০২৫-২৬ৰ বৰ্তমানলৈ তলত উল্লেখিত আঁচনি সমুহ গ্ৰহণ কৰিছে।

## ২০২৪-২৫

১) শিলসাঁকো বিলৰ পৰিসীমাৰ পৰা বোন্দাজানলৈ সংযুক্ত সুঁতিসমূহ পৰিষ্কাৰ আৰু বোকা নিস্কাষণ (cleaning & desilting) কৰা।

২) নাৰেঙ্গী ৰেলৱে ষ্টেচনৰ পৰা বোন্দাজান পাম্প হাউচলৈ বোন্দাজান সুঁতিৰ পৰিষ্কাৰ আৰু বোকা নিস্কাষণ (cleaning & desilting) কৰা।

৩) পাথৰ কুৱাৰীৰ পৰা মাৰিয়া পাব্লিক স্কুল পইন্টলৈ বোন্দাজান সুঁতিৰ পৰিষ্কাৰ আৰু বো[illegible] নিস্কাষণ (cleaning & desilting) কৰা।

৪) নুনমাটি আৰু এন্. বি. চি. চি.- নুনমাটি মদঘৰীয়া নলাৰ পৰা নাৰেঙ্গী ৰেলৱে ষ্টেচন, বোন্দাজান সুঁতিলৈ পৰিষ্কাৰ আৰু বোকা নিস্কাষণ (cleaning & desilting) কৰা।

৫) কইনাধৰাৰ পৰা বশিষ্ঠ চাৰিআলিলৈ ৰাষ্ট্ৰীয় ঘাইপথ-27ৰ কাষৰ নলা পৰিষ্কাৰ আৰু বোকা নিস্কাষণ (cleaning & desilting) কৰা।

৬) খানাপাৰাস্থিত Veterinary campus সংলগ্ন ৩টা ছিল্ট ট্ৰেপ পৰিষ্কাৰ কৰি মাটিৰ সঞ্চয় ক্ষমতা (Silt retention capacity) বৃদ্ধি কৰা।

৭) গুৱাহাটিৰ কৃত্ৰিম বান নিয়ন্ত্ৰণৰ বাবে GMDAএ SDRFৰ Machinery আৰু Trolley Mounted Pumps Procurement আঁচনিৰ অধীনত ৮টা De-watering pumps (350 LPS আৰু 150 LPS) ক্ৰয় কৰিছে ।

৮) বৰছলা বিল পৰিষ্কাৰ আৰু বোকা নিস্কাষণ (cleaning & desilting) কৰা।

৯) Pamohi Channel আৰু NH-27 দক্ষিণ পাৰ্শ্বৰ ড্ৰেইন Royal Global University প্ৰৱেশ পথৰ পৰা Katahbari লৈ মেচিনৰ সহায়ত বোকা নিস্কাষণ আৰু Amphibian Excavatorৰ মেৰামতি আৰু ৰক্ষণাবেক্ষণ ।

১০) গুৱাহাটী চহৰখনৰ বাবে GIS ভিত্তিক বিস্তৃত ড্ৰেইনেজ মাস্টাৰ প্লান আৰু DPR প্ৰস্তুত কৰা হৈ আছে ।

## ২০২৫-২৬

১) PMKSY-HKKP (RRR)ৰ অধীনত গুৱাহাটী, অসমৰ শিলসাঁকো বিলৰ পুনৰুজ্জীৱন আৰু বায়'-ৰেমেডিয়েচন ।

২) ৰাষ্ট্ৰীয় দুৰ্যোগ উপসম নিধি (NDMF)ৰ অধীনত নগৰীয়া বান প্ৰৱনতা ব্যৱস্থাপনা কাৰ্যসূচী (UFRMP)ৰ অধীনত গুৱাহাটী চহৰত ১১টা কাম লোৱা হৈছে :

- বান প্ৰতিৰোধৰ বাবে ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথ (এপ'ল' এক্সেল কেয়াৰ হস্পিটেলৰ ওচৰত) ৰ পৰা পশ্চিম বৰাগাঁও ধাৰণ ক্ষেত্ৰলৈ আন্ত:সংযোগ (এক্সেল কেয়াৰ, বৰাগাঁও ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথ পৰা দীপৰ বিললৈ Storm Water Drain) ।
- ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষেৰে খানাপাৰাৰ পৰা বশিষ্ঠ নদীলৈ বৰষুণৰ পানী ব্যৱস্থাপনা সংযোগ (খানাপাৰৰ পৰা বশিষ্ঠ চাৰিআলিলৈ ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দক্ষিণ দিশত বৰষুণৰ পানী নিষ্কাশনৰ বাবে নলা নিৰ্মাণ) ।
- জুৰি নদীৰ পুনৰুজ্জীৱিতকৰণ আৰু শিলসাঁকো ধাৰণ অৱবাহিকাৰ সৈতে সংযোগ (জুৰিপাৰৰ পৰা শিলসাঁকোলৈ গ্ৰিট চেম্বাৰৰ সৈতে বৰষুণৰ পানী নিষ্কাশন) ।
- শিলসাঁকো ৰিটেনচন পুখুৰীলৈ চেনেল সংযোগৰ জৰিয়তে সৰুমট'ৰীয়া অঞ্চলৰ বান প্ৰশমন

(পাম্পিং ষ্টেচনৰ সৈতে শিলসাঁকো বিললৈ সৰুমটৰীয়াৰ পৰা Storm Water নলা সংযোগকৰণ) ।

- একুইফাৰ ৰিচাৰ্জ আৰু ফ্লাড ৱালৰ জৰিয়তে জি.এছ. ৰোড, ৰুক্মিনীগাঁওৰ বান প্ৰতিৰোধ ক্ষমতা বৃদ্ধি (ৰুক্মিনীগাঁও পিবকো পইণ্টৰ বাহিনী নদীৰ কাষৰ পৰা জনতা ভৱনলৈ বান সুৰক্ষা দেৱাল নিৰ্মাণ) ।
- ভৰলু পাম্পিং ষ্টেচন আৰু লখিমীজান পাম্পিং ষ্টেচনত দুৰ্যোগ প্ৰশমনৰ বাবে জলবায়ুৰ স্থিতিস্থাপকতা আন্তঃগাঁথনি ( ভৰলু আৰু লখমিজানত অৱস্থিত পাম্প হাউছৰ ক্ষমতা বৃদ্ধি) ।
- প্ৰকৃতি–আধাৰিত সমাধান (Nature Based Solution) ব্যৱহাৰ কৰি দুৰ্বল স্থানসমূহত ভূমিক্ষয় নিয়ন্ত্ৰণ আৰু ভূমি সৰলীকৰণ আৰু ধাৰক পুখুৰী (Retention Pond)ৰ সৃষ্টি (গাথনিগত ব্যৱস্থা আৰু প্ৰকৃতি আধাৰিত সমাধানৰ জৰিয়তে মাটিৰ ক্ষয় প্ৰতিৰোধ কৰিবলৈ চাৰিওফালৰ পাহাৰৰ পলস ট্ৰেপ আৰু জলবিভাজিকা ব্যৱস্থাপনাৰ বৃদ্ধি ) ।
- ভূগৰ্ভস্থ ধাৰণ জলাধাৰ, বৰষুণৰ পানী সংগ্ৰহ আৰু পৰিকৰণ ব্লক (Modular Eco-Block ব্যৱহাৰ কৰি বৰষুণৰ পানী সংগ্ৰহৰ সৈতে ভূগৰ্ভস্থ ধাৰণ জলাধাৰৰ মাজেৰে প্ৰৱাহ পলম কৰাৰ বাবে উৎস নিয়ন্ত্ৰণ ব্যৱস্থাৰ নিৰ্মাণ)কে ধৰি নগৰীয়া জলবায়ু অভিযোজন ব্যৱস্থা ।
- বৰ্তমানে কাৰ্যক্ষম আৰু প্ৰস্তাৱিত পাম্প হাউছৰ বাবে বানপানী আগতীয়া সতৰ্কবাণী প্ৰণালী আৰু SCADA প্ৰণালী ।
- সামৰ্থ্য বৃদ্ধি আৰু নগৰীয়া বানপানীৰ বিৰুদ্ধে প্ৰশিক্ষণ কাৰ্যসূচী পৰিচালনা কৰা লগতে নাগৰিক সজাগতা কাৰ্যসূচী ।
- ড্ৰোন আৰু প্ৰযুক্তিভিত্তিক সমাধান ব্যৱহাৰ কৰি বানপানীৰ বিপদ, বেদখল, আৰু ভূমিস্খলনৰ মূল্যায়নৰ বাবে গুৱাহাটীৰ চাৰিওফালে থকা পাহাৰসমূহ নিৰীক্ষণ কৰা ।

গুৱাহাটীৰ কৃত্ৰিম বানপানী ৰোধৰ বাবে গুৱাহাটী পৌৰ নিগমে ২০২৪-২৫ আৰু ২০২৫-২৬ ৰ বৰ্তমানলৈ লোৱা আঁচনিৰ সবিশেষ **পৰিশিষ্ট 'খ'** সন্নিবিষ্ট কৰা হৈছে ।

(ঘ) **গুৱাহাটী পৌৰ নিগমে** প্ৰবল বৃষ্টিপাতৰ সময়ত অতিৰিক্ত পানী নিষ্কাশন কৰাৰ বাবে আৰু পানী বহন ক্ষমতা অক্ষুন্ন ৰাখিবলৈ পাঁচটা প্ৰধান নদী আৰু চহৰৰ নলা-নৰ্দমাসমূহ নিয়মীয়াকৈ পৰিষ্কাৰ আৰু বোকা নিষ্কাশনৰ কাম হাতত লৈছে। ইয়াৰ উপৰিও, গুৱাহাটী পৌৰ নিগমে বৰষুণৰ পানী নিষ্কাশনৰ হেতু নতুনকৈ হাতত লোৱা আচঁনিসমূহৰ সবিশেষ **পৰিশিষ্ট 'গ'** সন্নিবিষ্ট কৰা হৈছে ।

ইয়াৰোপৰি, গুৱাহাটী কৃত্ৰিম বানপানী ৰোধৰ বাবে **GMDA**এ গুৱাহাটী চহৰ খনৰ বাবে GIS ভিত্তিক বিস্তৃত ড্ৰেইনেজ মাষ্টাৰ প্লান আৰু Detailed Project Report (DPR) প্ৰস্তুত কৰি আছে। এই প্ৰতিবেদন খন সম্পুৰ্ণ হৈ উঠিলে, ইয়াত প্ৰস্তাৱিত প্ৰকল্প সমুহ সম্পাদন কৰাৰ বাবে বিবেচনা কৰা হ'ব ।

NB : Soft copy of the reply has also been submitted through the portal www.cms.neva.gov.in

অসম বিধান সভা
তৰাবিহীন প্ৰশ্ন নং ৫
উত্তৰ দিয়াৰ তাৰিখ-১৭-০২-২০২৬

**বিষয়ঃ আদৰ্শ অঙ্গনৱাড়ী কেন্দ্ৰ / খাদ্য সামগ্ৰী।**

**শ্ৰীমজিবুৰ ৰহমান,বিধায়ক**

**প্ৰশ্নঃ**

**মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

(ক) অসমত মুঠ কিমানখন আদৰ্শ অঙ্গনৱাড়ী কেন্দ্ৰৰ অনুমোদন হৈছে? জিলা ভিত্তিত তথ্য দাখিল কৰিব।
(খ) দলগাঁও বিধান সভা সমষ্টিত কিমানখন আদৰ্শ অঙ্গনৱাড়ী কেন্দ্ৰৰ অনুমোদন দিয়া হৈছে? তাৰে কিমানখনৰ কাম সম্পূৰ্ণ হৈছে আৰু কিমানখনৰ নিৰ্মাণৰ কাম চলি আছে? কৰ্মৰত কৰ্মীৰ নামসহ বিস্তাৰিত তথ্য সদনত দাখিল কৰিব।
(গ) অঙ্গনৱাড়ী কেন্দ্ৰৰ জৰিয়তে শিশুসকলক কি কি যোগান ধৰা হয়? তালিকা সদনত দাখিল কৰিব।

**উত্তৰঃ-**

**মাননীয়া মহিলা আৰু শিশু বিকাশ বিভাগৰ মন্ত্ৰী শ্ৰীযুতা অজন্তা নেওগ মহোদয়াই উত্তৰ দিবঃ-**

(ক) অসমত সৰ্বমুঠ ৯০৫৪ টা আদৰ্শ অঙ্গনবাড়ী কেন্দ্ৰৰ অনুমোদন দিয়া হৈছে। জিলা ভিত্তিত তথ্য **পৰিশিষ্ট-'ক'** ত সংলগ্ন কৰা হল।
(খ) আদৰ্শ অঙ্গনবাড়ী কেন্দ্ৰৰ অনুমোদন জিলা ভিত্তিতহে দিয়া হয়, বিধান সভা সমষ্টি ভিত্তিত দিয়া নহয়। দৰং জিলাৰ আদৰ্শ অঙ্গনবাড়ী কেন্দ্ৰৰ সবিশেষ তথ্য **পৰিশিষ্ট-'খ'** আৰু কৰ্মৰত কৰ্মীৰ তথ্য **পৰিশিষ্ট-'গ'** ত সংলগ্ন কৰা হল।

(গ) অঙ্গনবাড়ী কেন্দ্ৰসমূহৰ জৰিয়তে শিশু সকলক দুই ধৰণৰ খাদ্য সামগ্ৰী যোগান ধৰা হয়. ৩ৰ পৰা ৬ বছৰৰ শিশু সকলক গৰমকৈ ৰান্ধি খোৱা খাদ্য (Hot Cook Meal) আৰু ৬ মাহৰ পৰা ৩ বছৰৰ তলৰ শিশু সকলক ঘৰলৈ নিয়া খাদ্য (Take Home Ration) প্ৰদান কৰা হয়। ইয়াৰ উপৰিও পুঁজিৰ উপলব্ধতাৰ ওপৰত ভিত্তি কৰি ৩ পৰা ৬ বছৰৰ শিশুৰ বাবে সাধাৰণতে প্ৰাক্ প্ৰাথমিক শিক্ষাৰ সামগ্ৰী আদি যোগান ধৰা হয়।

(ওপৰোক্ত উত্তৰৰ প্ৰতিলিপি **পৰিশিষ্ট- 'ক','খ' আৰু 'গ'** ৰ সৈতে বিধান সভাৰ ৱেবচাইট https://cms.neva.gov.in ত আপলোড কৰা হ'ল)।

*************

## অসম বিধান সভা

লিখিত প্ৰশ্ন নং : ৬

বিষয় : বিত্ত বিভাগৰ পুঁজি আবণ্টন ।

তাৰিখ : ১৭-০২-২০২৬

শ্ৰীওৱাজেদ আলি চৌধুৰী
সদস্যৰ নাম

**মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

(ক) বিধায়ক পুঁজিৰ আবণ্টন কিহৰ ভিত্তিত দিয়া হয় ?
(খ) বিধান সভা সমষ্টি পুনৰ গঠনৰ পিছত অসমৰ ১২৬ টা বিধান সভা সমষ্টিৰ জনসংখ্যা সমষ্টি ভিত্তিত জনাব নেকি ?
(গ) সমষ্টি উন্নয়নৰ ক্ষেত্ৰত বিধায়ক পুঁজিৰ ধন জনসংখ্যা অনুপাতে আবণ্টন দিয়াৰ ব্যৱস্থা কৰিব নেকি ?

**ৰূপান্তৰ আৰু উন্নয়ন বিভাগৰ দায়িত্বত থকা মাননীয় মুখ্য মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মহোদয়ে উত্তৰ দিছে :-**

(ক) বিধায়ক পুঁজিৰ আৱণ্টন বিধান সভা সমষ্টি ভিত্তিত দিয়া হয় ।
(খ) বিধান সভা সমষ্টিৰ পুনৰ গঠনৰ পিছত অসমৰ ১২৬ টা বিধান সভা সমষ্টিৰ **জনসংখ্যা** বৰ্তমান সমষ্টি ভিত্তিত ৰূপান্তৰ আৰু উন্নয়ন বিভাগত উপলব্ধ নহয় । মুঠ সমষ্টি ভিত্তিত ভোটাৰ বিন্যাস পৰিশিষ্ট "ক" ত উল্লেখ কৰা হ'ল ।
(গ) বিধায়ক উন্নয়ন পুঁজি সমষ্টিৰ জনসংখ্যা অনুপাতে আৱণ্টন দিয়াৰ সম্পৰ্কত অসম চৰকাৰে এতিয়ালৈকে কোনো প্ৰস্তাৱ লোৱা নাই।

@@@@@@

**উত্তৰ সমূহ পৰিশিষ্টসহ ই-বিধানত আপল'ড কৰা হ'ল**

**অসম বিধান সভা**

**উত্তৰ দানৰ তাৰিখ – ১৭/০২/২০২৬**

**তৰা বিহীন প্ৰশ্ন নং : ৭**

বিষয় : J.J.Mৰ আঁচনি

বিধায়ক : শ্ৰীনিজানুৰ ৰহমান :

**মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

(ক) ধুবুৰী জিলাত জলজীৱন মিছনৰ (J.J.M.) Retrofitting আঁচনিৰ যোগেদি খোৱাপানী যোগানৰ নামত কিমান আঁচনি প্ৰস্তুত কৰিছে? তাৰে কিমান্খন আঁচনি বিভাগীয় ভাৱে অনুমোদন পাইছে? প্ৰস্তুত কৰা আঁচনি আৰু অনুমোদন পোৱা আঁচনিৰ তালিকা সদনৰ মজিয়াত দাখিল কৰিব।

(খ) অনুমোদন পোৱা আঁচনিসমূহৰ ভিতৰত কিমানখন আঁচনিৰ কাম ১০০ শতাংশ সম্পূৰ্ণ হৈছে আৰু কিমানখন আঁচনিৰ যোগেদি হিতাধিকাৰীয়ে খোৱা পানীৰ যোগান পাই আছে?

(গ) অনুমোদন পোৱা আঁচনিসমূহৰ ভিতৰত কিমানখন আঁচনিৰ কাম সম্পূৰ্ণ হৈ উঠা নাই আৰু কেতিয়ালৈ সম্পূৰ্ণ হৈ উঠিব?

**উত্তৰ**

**জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰীযুত জয়ন্ত মল্ল বৰুৱা দেৱে উত্তৰ দিব।**

(ক) ধুবুৰী জিলাৰ অন্তৰ্গত, জলজীৱন মিছন (JJM) আঁচনিৰ অধীনত ১২৭ খন ৰেট্ৰফিটিং (Retrofitting) আঁচনিৰ অনুমোদন হৈছিল। ৰেট্ৰফি'টিং আঁচনিৰ তালিকা Annexure-1 ত সংলগ্ন কৰা হৈছে। (NeVA Portal ত upload কৰা হৈছে।)

(খ) অনুমোদিত ১২৭ খন আঁচনিৰ ভিতৰত ১১২ খন আঁচনি সম্পূৰ্ণ হৈছে। হিতাধিকাৰীসকলে ১১২ খন আঁচনিৰ জৰিয়তে খোৱাপানীৰ সুবিধা লাভ কৰি আছে।

(গ) অনুমোদিত ১২৭খন আঁচনিৰ ভিতৰত ১৫খন আঁচনিৰ কাম সম্পূৰ্ণ হোৱা নাই। এই ১৫ খন অসম্পূৰ্ণ আঁচনি জল জীৱন মিছনৰ কামৰ গুণাগুন নিৰূপণ কৰাৰ উদ্দেশ্যে সাময়িক ভাবে স্থগিত ৰখা হৈছে। অসম্পূৰ্ণ হৈ থকা আঁচনিৰ নিৰ্মাণৰ কাম পৰৱৰ্তী সময়ত সম্পূৰ্ণ কৰা হ'ব।

অসম বিধান সভা

তৰাবিহীন প্ৰশ্ন নং – ৮

উত্তৰ দিয়াৰ তাৰিখ – ১৭-০২-২০২৬

বিষয় : ঋণৰ পৰিমাণ

বিধায়কৰ নাম : শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) :

**মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

**প্ৰশ্ন**

(ক) যোৱা ১০ টা বছৰত ৰাজ্য চৰকাৰে কোন কোন উৎসৰ পৰা সৰ্বমুঠ কিমান ঋণ লৈছে? কোন বছৰৰ কোন কোন মাহত কিমান টকা ঋণ লৈছিল বিতং কৈ জনাব।

(খ) যোৱা ১০ টা বছৰত ঋণৰ সুত হিচাপে কিমান টকা আদায় দিয়া হ'ল? (বৰ্ষ ভিত্তিক তথ্য দিব।) এতিয়ালৈকে অসমে সুতে-মূলে কিমান টকা ঘূৰাই দিবলগীয়া আছে?

(গ) ২০২৩-২৪ আৰু ২০২৪-২৫ বিত্তীয় বৰ্ষত সৰ্বমুঠ কিমান টকাৰ বাজেট নিৰ্ধাৰণ কৰা হৈছিল? কোন কোন বিভাগৰ বাৰ্ষিক খৰচৰ বাবে কিমান বাজেট নিৰ্ধাৰণ কৰা হৈছিল আৰু বছৰৰ শেষলৈকে কোন কোন বিভাগক কিমান টকা মোকলাই দিয়া হৈছিল? (বিতং তথ্য দিব।)

**বিত্ত বিভাগৰ মাননীয়া মন্ত্ৰী শ্ৰী যুতা অজন্তা নেওগ ডাঙৰীয়ানীয়ে উত্তৰ দিবঃ**

**উত্তৰ**

(ক) মহাগাণনিক অসমে অসম চৰকাৰৰ হিচাপ পত্ৰবোৰ বিত্তীয় বৰ্ষ হিচাপে প্ৰকাশ কৰে। অসম চৰকাৰে বিভিন্ন উৎসৰ পৰা লোৱা বছৰেকীয়া ঋণৰ বিতং তথ্য মহাগাণনিক অসমৰ বছৰেকীয়া প্ৰতিবেদনত উল্লেখ আছে আৰু এই প্ৰতিবেদনসমূহ মহাগাণনিক অসমৰ ৱেবচাইট https://cag.gov.in/ae/assam/en - ত উপলব্ধ।

(খ) যোৱা ১০ টা বছৰত অসম চৰকাৰে বিভিন্ন উৎসৰ পৰা লোৱা ঋণৰ বিপৰীতে আদায় দিয়া সুদৰ বিতং তথ্য তলত দিয়া হ'ল।

(কোটি টকা হিচাপত)

| বিত্তীয় বৰ্ষ | আদায় দিয়া সুদৰ পৰিমাণ | | | | | |
|---|---|---|---|---|---|---|
| | বজাৰ ঋণ | বিত্তীয় প্ৰতিষ্ঠানৰ ঋণ | কেন্দ্ৰীয় ক্ষুদ্ৰ সঞ্চয় নিধি | কেন্দ্ৰীয় ঋণ | ৰাজ্যিক ভবিষ্যনিধি | সৰ্বমুঠ |
| ২০১৫-১৬ | ৯৯০.৮৮ | ৭৪.৫৪ | ৭৯৫.৫০ | ১১১.৫৬ | ৬৪৫.৯৬ | ২৬১৮.৪৪ |
| ২০১৬-১৭ | ১১৩১.৫৪ | ৮৮.৫৪ | ৯৫২.২২ | ১০৫.৬৩ | ৬৮৫.৮২ | ২৯৬৩.৭৫ |
| ২০১৭-১৮ | ১৩৭৬.৫০ | ১১১.০০ | ৮৯৩.৫৪ | ১০০.১৬ | ৭২৪.১৩ | ৩২০৫.৩২ |
| ২০১৮-১৯ | ১৯৯৫.৪৪ | ১৩১.৬১ | ৮২৯.৩৭ | ৯৫.৬৯ | ৭৯২.২৬ | ৩৮৪৪.৩৭ |
| ২০১৯-২০ | ২৫৫১.৮৪ | ১৬৭.১৩ | ৭৬০.৯৬ | ৯২.৫৯ | ৮৬৬.৩৬ | ৪৪৩৮.৮৭ |
| ২০২০-২১ | ৩৩৫২.১১ | ১৯২.৮০ | ৬৮৮.২৬ | ৯০.৬৮ | ৮৭৫.৩৩ | ৫১৯৯.১৮ |
| ২০২১-২২ | ৪২৫০.৫৩ | ২০৭.১০ | ৬১৫.৫৬ | ৮৯.৩১ | ৮৮৮.৯৮ | ৬০৫১.৪৭ |
| ২০২২-২৩ | ৫১২৪.৬৪ | ২২৩.২৫ | ৫৪২.৮৬ | ৯০.৯৩ | ৮৯৩.৩০ | ৬৮৭৪.৯৭ |
| ২০২৩-২৪ | ৬৩৭৬.৩৬ | ৩১৭.০২ | ৪৭০.১৫ | ৯০.৩২ | ৮৮৫.৩২ | ৮১৩৯.১৭ |
| ২০২৪-২৫ | ৭৫৩১.৬১ | ৪৭৭.০২ | ৩৯৭.৪৫ | ৯৫.০৭ | ৯৬৬.৬০ | ৯৪৬৭.৭৫ |

(Source: Finance Accounts, Assam)

ভাৰত চৰকাৰৰ অনুমোদন সাপেক্ষে অসম চৰকাৰে লোৱা ঋণৰ বিপৰীতে যোৱা ৩১ মাৰ্চ ২০২৫ পৰ্যন্ত পৰিশোধ কৰিবলগীয়া মূলৰ পৰিমাণ ১৪৩১৭৮ কোটি টকা। এই মূল টকাৰ বিপৰীতে ঋণৰ চৰ্তাৱলীমতে নিয়মিতভাৱে সুদ পৰিশোধ কৰা হৈ আছে।

(গ) ২০২৩-২৪ আৰু ২০২৪-২৫ বিত্তীয় বৰ্ষত বাজেটত নিৰ্ধাৰণ কৰা সৰ্বমুঠ টকাৰ পৰিমাণ তলত উল্লেখ কৰা হলঃ

(কোটি টকা হিচাপত)

| বিত্তীয় বৰ্ষ | বাজেটত নিৰ্ধাৰণ কৰা টকাৰ পৰিমাণ |
|---|---|
| ২০২৩-২৪ | ১৬৯৯৬৬ |
| ২০২৪-২৫ | ১৬৮৬৭৩ |

বিভাগসমূহৰ বাৰ্ষিক খৰচৰ বাবে বাজেট নিৰ্ধাৰণ কৰা টকাৰ পৰিমাণ আৰু বছৰৰ শেষলৈকে বিভাগসমহূক মোকলাই দিয়া টকাৰ পৰিমাণ পৰিশিষ্ট-ক আৰু পৰিশিষ্ট-খ ত সন্নিবিষ্ট কৰা হ'ল।

(পৰিশিষ্ট-ক আৰু পৰিশিষ্ট-খ https://neva.gov.in ত upload কৰা হ'ল)

অসম বিধানসভা
তৰাবিহীন প্ৰশ্ন নং :- ৯
উত্তৰ দানৰ তাৰিখ: - ১৭/০২/২০২৬

বিষয় : পৰ্য্যটন বিভাগৰ সম্পত্তি

শ্ৰীৰেকিবুদ্দিন আহমেদ, বিধায়ক

**মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

::প্ৰশ্ন::

(ক) পৰ্য্যটন বিভাগৰ অধীনত অসমৰ ভিতৰত আৰু বাহিৰত কি কি সম্পত্তি, বিশেষকৈ প ্টন নিবাস আছে বিতংকৈ জনাব । এই সা-সম্পত্তিবোৰৰ ভিতৰত কোনোবাটো যদি লিজত বা ভাড়াত দিয়া হৈছে তাৰ বিতং তথ্য (কোনে লিজত লৈছে) আৰু তাৰ পৰা সংগৃহীত ৰাজহৰ বৰ্ষভিত্তিক (আৰম্ভণিৰ পৰা বৰ্তমানলৈ) তথ্য দাখিল কৰিব ।

(খ) ২০১৬ চনৰ পৰা এতিয়ালৈকে অসমলৈ অহা দেশী-বিদেশী পৰ্য্যটকৰ তথ্য বৰ্ষভিত্তিক দাখিল কৰিব। একেখিনি সময়ত কোনখন বিদেশী ৰাষ্ট্ৰৰ পৰা কিমান বিদেশী পৰ্য্যটক আহিছে তাৰ তথ্যও দাখিল কৰিব ।

(গ) ৰাজ্যৰ পৰ্য্যটনৰ বিকাশৰ বাবে ২০১৬ চনৰ পৰা এতিয়ালৈকে ক'ত, কেনেধৰণৰ প্ৰকল্প নিৰ্মাণ কৰা হ'ল, সেই প্ৰকল্প নিৰ্মাণত কিমান টকা ব্যয় হ'ল বিতংকৈ জনাব ।

(ঘ) এই বিভাগটোৱে পৰ্য্যটক থাকিবলৈ নিৰ্মাণ সম্পূৰ্ণ কৰা অথচ আজিলৈকে মুকলি নোহোৱা, মুকলিৰ পিছত বন্ধ হৈ যোৱা পৰ্য্যটক গৃহ, প্ৰকল্প যদি আছে বিতংকৈ জনাব । কি কি কাৰণত সেইবোৰ মুকলি হোৱা নাই বা মুকলিৰ পিছত কিয় বন্ধ হৈছে সেই বিষয়েও বিতংকৈ জনাব ।

**উত্তৰঃ**

**মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী শ্ৰীযুত ৰণজিৎ কুমাৰ দাস দেবে উত্তৰ দিবঃ-**

(ক) অসম পৰ্যটন বিভাগৰ দ্বাৰা পৰিচালিত পৰ্যটন নিবাস আৰু অন্যান্য সা-সম্পত্তি সমূহৰ তালিকাৰ লগতে বিতং তথ্য সমূহ সংলগ্ন " ক" ত দিয়া হল ।

(খ) ২০১৬ চনৰ পৰা এতিয়ালৈ অসমলৈ অহা দেশী-বিদেশী পৰ্যটকৰ তথ্য বৰ্ষভিত্তিক পৰিসংখ্যা সংলগ্ন "খ" ত গাঁথি দিয়া হ'ল। একেখিনি সময়ত বিভিন্ন বিদেশী ৰাষ্ট্ৰৰ পৰা অহা পৰ্যটকৰ তথ্য সংলগ্ন "গ" ত উল্লেখ কৰা হৈছে।

(গ) তথ্য সমূহ সংলগ্ন "ঘ" গাঁঠি দিয়া হল।

(ঘ) তথ্য সমূহ সংলগ্ন "ঙ" গাঁঠি দিয়া হল।

*****************

The reply is also submitted in NeVA portal of ALA

# ASSAM LEGISLATIVE ASSEMBLY
## REPLY DATE – 17/02/2026

**Unstarred Question No.** : **10**
Sub : **JJM Project**
MLA : **SHRI SIRAJUDDIN AJMAL:**

**Will the Minister of PHE Department be pleased to state:**

(a) Number of JJM projects proposed, sanctioned and completed under Binnakandi LAC So far;

(b) Number of Water Users Committees (WUCs) formed, empowered under Binnakandi LAC So far. Please give the list of WUCs scheme wise in details.

(c) Number of Households proposed, connected, and being provided with pure drinking water so far. Please give the list of Households scheme wise in details.

(d) Number of Households yet to cover under any scheme so far. Please give the list of Households GP wise in details.

**ANSWER**

**The Hon'ble Minister of Public Health Engineering Department Shri Jayanta Malla Baruah will give the answer:**

(a) There are 160 nos. of schemes proposed and sanctioned under JJM under Binnakandi LAC. Out of these 160 nos. schemes, 106 nos. have been completed so far.

(b) 155 nos. of Water Users Committees (WUCs) have been formed, empowered under Binnakandi LAC So far. The list of WUCs scheme wise in details enclosed as per Annexure-I. (uploaded in NeVA portal)

(c) There are 60236 nos. of Households proposed under Binnakandi LAC. Out of this, 33339 nos. have been connected, and being provided with pure drinking water so far. The list of Households scheme wise in details enclosed as per Annexure-II. (uploaded in NeVA portal)

(d) 763 nos. of Households(HHs) are yet to be covered under any scheme so far. Details enclosed as per Annexure – III. (uploaded in NeVA portal)

অসম বিধান সভা
তৰাবিহীন প্ৰশ্ন নং: ১১
উত্তৰ দিয়া তাৰিখ: ১৭/০২/২০২৬

প্ৰশ্ন নং: **১১**

**শ্ৰীছামছুল হুদা**
বিধায়ক

*বিষয় :* **অনুদান**

প্ৰশ্ন

মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ২০২১-২২, ২০২২-২৩, ২০২৩-২৪, ২০২৪-২৫, ২০২৫-২৬ বিত্তীয় বৰ্ষত বিৰসিং জৰুৱা বিধান সভা সমষ্টিৰ উন্নয়নৰ কাৰণে কিমান কিমান টকাৰ বিত্তীয় অনুদান দিছিল ? বিভাগ অনুযায়ী ধনৰ পৰিমাণ আৰু আঁচনিৰ নাম /কামৰ বিৱৰণ সহ বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাখিল কৰিব ।

(খ) লোক নিৰ্মাণ আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ দুটাত বিৰসিং জৰুৱা সমষ্টিৰ কাৰণে কিমান কিমান টকা কোনটো কোনটো আঁচনিৰ নামত অনুদান দিছিল ? প্ৰত্যেকটো আঁচনিৰ কামৰ বিৱৰণসহ বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাখিল কৰিব ।

(গ) যোৱা পাঁচটা বিত্তীয় বৰ্ষত বিৰসিং জৰুৱা বিধান সভা সমষ্টিৰ শিক্ষানুষ্ঠানসমূহৰ আন্তঃগাঁথনি আৰু আন সা-সুবিধাৰ কাৰণে কিমান কিমান টকাৰ অনুমোদন দিয়া হৈছিল ? কোনখন বিদ্যালয়ত কিমান টকাৰ কিমান কাম কৰা হ'ল, চৰজমিন তদন্ত কৰি বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাখিল কৰিব ।

উত্তৰ

মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী, শ্ৰীমতী অজন্তা নেওগে উত্তৰ দিব ।

(ক) লোক নিৰ্মাণ বিভাগৰ অধীনত বিৰসিং জৰুৱা বিধানসভা সমষ্টি ছেপ্টেম্বৰ ২০২৩ চনত গঠন হোৱাৰ পাছত উন্নয়নৰ কাৰণে ২০২৩-২৪ বিত্তীয় বৰ্ষত ২৭.৯৯ কোটি, ২০২৪-২৫ বিত্তীয় বৰ্ষত ২৮.১৩ কোটি আৰু ২০২৫-২৬ বিত্তীয় বৰ্ষত ৩৪.৬৭ কোটি টকা অনুদান দিয়া হৈছে। ধনৰ পৰিমাণ আৰু আঁচনি/ কামৰ সবিশেষ বিৱৰণ পৰিশিষ্ট 'ক' 'খ' আৰু 'গ' ত গাথি দিয়া হ'ল ।

ৰূপান্তৰ আৰু উন্নয়ন বিভাগৰ অধীনত ২০২১-২২, ২০২৩-২৪ আৰু ২০২৫-২৬ বিত্তীয় বৰ্ষত বিৰসিং জৰুৱা বিধান সভা সমষ্টিৰ উন্নয়নৰ কাৰণে ৰূপান্তৰ আৰু উন্নয়ন বিভাগৰ অধীনত কোনো বিত্তীয় অনুদান দিয়া হোৱা নাই । কিন্তু, ২০২৪-২৫ বিত্তীয় বৰ্ষত বিৰসিং জৰুৱা বিধানসভা সমষ্টিৰ উন্নয়নৰ বাবে ৰূপান্তৰ আৰু উন্নয়ন বিভাগৰ অধীনত অসম দৰ্শন আঁচনিৰ জৰিয়তে

সৰ্বমুঠ ৯ খন আঁচনিৰ বিপৰীতে ১৩.৫০ লাখ টকা অনুদান দিয়া হৈছে । কামৰ বিৱৰণসহ বিস্তাৰিত তথ্য পৰিশিষ্ট "ঙ" ত গাথি দিয়া হ'ল ।

(খ) লোক নিৰ্মাণ বিভাগৰ অধীনত বিৰসিং জৰুৱা সমষ্টিৰ কাৰণে MMPNA অধীনত ৭.১২ কোটি, MMPNA অধীনত ১৯.৯৩ কোটি, RIDF আঁচনিৰ অধীনত ১৬.০৯ কোটি, ARRBP আঁচনিৰ অধীনত ৪২.১৬ কোটি, PMGSY আঁচনিত ০.৪৯ কোটি, SOPD-G ৰ অধীনত ৫.০৩ কোটি টকা অনুদান দিয়া হৈছে। ধনৰ পৰিমাণ আৰু আঁচনি সবিশেষ বিৱৰণ পৰিশিষ্ট "ঘ" ত উল্লেখ কৰা হ'ল।

ইয়াৰোপৰি বিলাসীপাৰা পূব সমষ্টিত চলি থকা আঁচনিবোৰৰ কামৰ বিৱৰণ তলত দিয়া হ'ল।

(i) অসমত চৰকাৰী পলিটেকনিক প্ৰতিষ্ঠান আৰু আই.টি.আই সমূহৰ উৎকৰ্ষতাৰ কেন্দ্ৰ হিচাপে উন্নীতকৰণ (ৱৰ্কশ্বপ আৰু টেক-লেব নিৰ্মাণ) অসমৰ ৬১টা আই.টি.আই / পলিটেকনিকত (অংশ-খ) (পেকেজ নং: ITI-Poly/২০২২/৪) ( চৰকাৰী উদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান, দক্ষিণ শালমাৰা )। অনুমোদিত পুঁজি= ১৯৩.৫৫ লাখ টকা। ভৌতিক প্ৰগতি= ১০০%, আৰু বিত্তীয় প্ৰগতি= ৬৫.৯৩%।

(ii) অসমত চৰকাৰী পলিটেকনিক প্ৰতিষ্ঠান আৰু আই.টি.আই সমূহৰ উৎকৰ্ষতাৰ কেন্দ্ৰ হিচাপে উন্নীতকৰণ (ৱৰ্কশ্বপ আৰু টেক-লেব নিৰ্মাণ) অসমৰ ৬১টা আই.টি.আই / পলিটেকনিকত (অংশ-ক) (পেকেজ নং: ITI-Poly/২০২২/৪) (চৰকাৰী উদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান, দক্ষিণ শালমাৰা )। অনুমোদিত পুঁজি= ৩১০.০৯ লাখ টকা। ভৌতিক প্ৰগতি= ১০০%, বিত্তীয় প্ৰগতি= ৯৫%।

(iii) গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ-২৯, বিত্তীয় বৰ্ষ ২০২৩-২৪ ৰ অধীনত হামিদাবাদ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অনুমোদিত পুঁজি ৭০০.০০ লাখ টকা। ভৌতিক প্ৰগতি= ৫৫% আৰু বিত্তীয় প্ৰগতি= ২১.৪৬%।

(iv) গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ-৩০, বিত্তীয় বৰ্ষ ২০২৪-২৫ ৰ অধীনত জকুৱা চৰ পাবলিক উচ্চ মাধ্যমিক বিদ্যালয়, গোবিন্দপুৰৰ অনুমোদিত পুঁজি ৭৫০.০০ লাখ টকা। এতিয়ালৈকে কাম আৰম্ভ হোৱা নাই।

(v) ৰুচা ২.০ আঁচনিৰ মাজেৰআলগা ১ নং আৰু ২য় খণ্ড (Athani Circle) ৰ অন্তৰ্গত বিত্তীয় বৰ্ষ ২০১৯ ৰ অধীনত নতুন মডেল ডিগ্ৰী কলেজৰ ১১১৯.৪০ লাখ টকা আৰু নতুনকৈ ১৫.১১.২০২৫ তাৰিখত অতিৰিক্ত পুঁজি ৫২৭.৩৭ লাখ টকা সৰ্বমুঠ ১৭২৬.৭৭ লাখ টকাৰ চলি থকা কামৰ ভৌতিক প্ৰগতি = ৭০% আৰু বিত্তীয় প্ৰগতি = ৫৯.২২%।

স্বাস্থ্য আৰু পৰিয়াল বিভাগলৈ চিঠি প্ৰেৰণ কৰা হৈছে । আৰু পৰবৰ্তী সময়ত সোঁৱৰণী পত্ৰও দিয়া হৈছে । সংশিষ্ট বিভাগৰ পৰা তথ্য লাভ কৰা নহ'ল । বাকী থকা তথ্যসমূহ পৰৱৰ্তী সময়ত দাখিল কৰা হ'ব ।

(গ) বিদ্যালয় শিক্ষা বিভাগৰ অধীনত ধুবুৰী জিলাৰ বিদ্যালয় সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ৰ পৰা পোৱা তথ্য অনুসৰি যোৱা ৫ টা বিত্তীয় বৰ্ষত বিলাসীপাৰা পূব বিধান সভা সমষ্টিৰ অন্তৰ্গত

মাধ্যমিক বিদ্যালয় সমূহৰ আন্তঃগাঁথনি নিৰ্মাণ আৰু আন সা-সুবিধাৰ বাবে অনুমোদন পোৱা ধন আৰু আন বিস্তাৰিত তথ্য সমূহৰ তালিকাখন পৰিশিষ্ট 'চ' ত সংলগ্ন কৰা হ'ল।

উচ্চ শিক্ষা বিভাগলৈ চিঠি প্ৰেৰণ কৰা হৈছে । আৰু পৰবৰ্তী সময়ত সোঁৱৰণী পত্ৰও দিয়া হৈছে । সংশিষ্ট বিভাগৰ পৰা তথ্য লাভ কৰা নহ'ল । বাকী থকা তথ্যসমূহ পৰৱৰ্তী সময়ত দাখিল কৰা হ'ব ।

*****

উত্তৰ সমূহ পৰিশিষ্টসহ ই-বিধানত আপল'ড কৰা হ'ল ।

**অসম বিধান সভা**

**উত্তৰ দানৰ তাৰিখ – ১৭/০২/২০২৬**

**তৰা বিহীন প্ৰশ্ন নং** : **১২**

বিষয় : জল জীৱন মিছন সন্দৰ্ভত

বিধায়ক : শ্ৰীদেৱব্ৰত শইকীয়া :

**माननीय জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

(ক) জল জীৱন মিছনৰ অধীনত চাবুৱা অঞ্চলৰ ডাঙৰচুক গাঁৱত পানী যোগান ব্যৰ্থ হোৱাৰ বিষয়ে চৰকাৰ অৱগতনে ? যদি অৱগত, তেন্তে প্ৰাথমিক আন্তঃগাঁথনি সম্পূৰ্ণ কৰিবলৈ কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে ?

(খ) বিভিন্ন বাতৰিত প্ৰকাশ পোৱা অনুসৰি অসমত জল জীৱন মিছন আঁচনি বাস্তৱায়নত বিলম্ব, দুৰ্নীতি, ঠিকাদাৰী ব্যৱস্থাত অনিয়ম আৰু নিম্নমানৰ কাম সংঘটিত হোৱাৰ অভিযোগসমূহৰ বিষয়ে চৰকাৰ অৱগতনে ? যদি অৱগত, তেন্তে তাৰ সবিশেষ তথ্য দাঙি ধৰিব।

(গ) এই অভিযোগসমূহৰ তদন্ত, দায়ী বিষয়াসকল/ ঠিকাদাৰৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ আৰু আঁচনিখনৰ স্বচ্ছ বাস্তৱায়ন নিশ্চিত কৰিবলৈ চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে ?

(ঘ) জল জীৱন মিছন আঁচনিখনৰ অধীনত সংঘটিত বুলি কোৱা দুৰ্নীতি আৰু অনিয়ম সন্দৰ্ভত কোনো বিশেষ অ'ডিট, তদন্ত (স্বতন্ত্ৰ সংস্থাসহ) কৰা হৈছে নে বা কৰাৰ প্ৰস্তাৱ আছেনে ?

(ঙ) যদি হয়, তেন্তে সেই অডিট / তদন্তৰ বৰ্তমান, স্থিতি, মুখ্য অনুসন্ধান আৰু ৰাজহুৱা ধন সুৰক্ষাৰ বাবে গ্ৰহণ কৰা সংশোধনমূলক ব্যৱস্থাৰ সবিশেষ কি? জনাব ।

**উত্তৰ**

**জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰীযুত জয়ন্ত মল্ল বৰুৱা দেৱে উত্তৰ দিব।**

(ক) চাবুৱা অঞ্চলৰ ডাঙৰচুক গাঁৱত পানী যোগানৰ বাবে দিনজয় ডাঙৰচুক পানী যোগান আঁচনি (Dinjoy Dangar Chuk PWSS) ৰূপায়ণৰ ব্যৱস্থা কৰা হৈছিল। বৰ্তমান উক্ত আঁচনিটোৰ কাম ৫০% কাম সম্পূৰ্ণ কৰা হৈছে। আৰু উক্ত আঁচনিটোৰ পৰা ২১৩ ঘৰত বিশুদ্ধ খোৱা পানী লাভ কৰিব । বৰ্তমানে জল জীৱন মিছনৰ অসম্পূৰ্ণ এই আঁচনিৰ কাম পৰৱৰ্তী পৰ্য্যায়ক্ৰমে সম্পূৰ্ণ কৰি ডাঙৰচুক গাঁওবাসীক বিশুদ্ধ খোৱা পানী যোগান ধৰা হ'ব।

(খ) হয়, অসম চৰকাৰ বিভিন্ন বাতৰি সমূহত প্ৰকাশ পোৱা জল জীৱন মিছন আঁচনিৰ বাস্তৱায়নত হোৱা অনিয়ম আৰু নিম্নমানৰ কামৰ বাতৰিসমূহৰ বিষয়ে জ্ঞাত । মূলতঃ চাৰিটা গুৰুত্বপূৰ্ণ এনে আঁচনি আছে আৰু আটাইকেইটাৰ ওপৰত ইতিমধ্যেই যাৱতীয় পদক্ষেপ গ্ৰহণ কৰা হৈছে ।

(গ) হয়, অভিযোগ সমূহৰ ক্ষেত্ৰত অতিৰিক্তভাৱে পৰিশোধ কৰা ধনৰ উদ্ধাৰ, অভিযুক্ত ঠিকাদাৰসকলৰ ক'লা তালিকাভুক্তকৰণ, আৰু অভিযুক্ত বিষয়াসকলৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে।

(ঘ) হয়, সকলো দুৰ্নীতি আৰু অনিয়মৰ গুৰুত্বপূৰ্ণ বিষয়ৰ ক্ষেত্ৰত প্ৰয়োজনীয় বিভাগীয় তদন্ত/কাৰ্যবিধি গ্ৰহণ কৰা হৈছে।

বৰ্তমানলৈকে বাহ্যিক সংস্থা/মাধ্যমৰ জৰিয়তে কোনো বিশেষ নিৰীক্ষা (অডিত) বা তদন্ত সম্পন্ন কৰা হোৱা নাই।

(ঙ) ৪টা গুৰুত্বপূৰ্ণ অনিয়মৰ কেছত উদ্ধাৰ ধন হিচাপে ঠিকাদাৰে ক্ৰমে ৯৩.৪২ লাখ টকা, ১১.৭৪ লাখ টকা, ২.০২৫ লাখ টকা আৰু ৩.০৫ লাখ টকা ঘূৰাই দিছে।

তদন্ত বিষয়াৰ দ্বাৰা প্ৰাৰম্ভিক তদন্ত প্ৰতিবেদন চৰকাৰক দাখিল কৰা হৈছে। সংশ্লিষ্ট বিষয়াসকল আৰু জড়িত তৃতীয় পক্ষ পৰিদৰ্শন সংস্থাৰ (Third Party Inspection Agency) বিৰুদ্ধে কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰা হৈছে। বিভাগীয় কাৰ্যবিধি বৰ্তমান চলি আছে।

অসম বিধান সভা
তৰা বিহীন প্ৰশ্ন নং -১৩
উত্তৰ দিয়াৰ তাৰিখ – ১৭-০২-২০২৬

বিষয় : **Electoral Rolls-এর Special Revision, 2023 চলাকালীন Manual on Electoral Rolls, 2023 লংঘন এবং ভোটার তালিকা সংশোধন প্রক্রিয়া অনিয়ম সংক্রান্ত।**

শ্রীখলিল উদ্দিন মজুমদার :

মাননীয় সাধারণ প্রশাসন বিভাগীয় মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি :

(ক) সরকার কি অবগত আছেন Electoral Rolls - এর Special Revision (SR), 2023 চলাকালীন অসমের বিভিন্ন জেলায় Manual on Electoral Rolls, 2023 - এর ধারা 11.3.2 (ii) লংঘন করে বহু ক্ষেত্রে একযোগে (bulk) ভোটারের বিরুদ্ধে আপত্তি গ্রহণ করা হয়েছে ?

(খ) উক্ত Manual-এর ধারা 11.3.5 আনুযায়ী দাবি ও আপত্তিসমূহের সাপ্তাহিক প্রকাশ বাধ্যতামূলক হওয়া সত্বেও বহু জেলায় সেই প্রক্রিয়া সঠিকভাবে অনুসরণ করা হয়নি-এটি কি সত্য ?

(গ) সরকার কি সদনকে জেলা-ভিত্তিক তথ্য জানাবেন-

কতজন ভোটারের বিরুদ্ধে আপত্তি দাখিল করা হয়েছে;

কতজন ভোটারের নাম ভোটার তালিকা থেকে বাদ দেওয়া হয়েছে;

কত ক্ষেত্রে শুনাননির নোটিশে তারিখ, সময়, স্থান ও কর্তৃপক্ষর নাম স্পষ্টভাবে উল্লেখ করা হয়নি,

(ঘ) সরকার কি এই মর্মে অভিযোগ পেয়েছেন যে বহু জেলায় প্রকৃত ও যোগ্য ভোটারগণ, বিশেষ করে রাজ্যের বাইরে কর্মরত, অধ্যয়নরত বা চিকিৎসাধীন ব্যক্তিগণ, অযথা হয়রানি ও ভিতীর সন্মুখীন হয়েছেন ?

(ঙ) সরকার কি Manual on Electoral Rolls 2023 - এর কঠোর অনুসরণ নিশ্চিত করতে এবং ভোটার তালিকা সংশোধন প্রক্রিয়াকে স্বচ্ছ, ন্যায়সঙ্গত ও হয়রানিমুক্ত করার জন্য কোনো নির্দিষ্ট পদক্ষেপ গ্রহণ করেছেন বা গ্রহণ করার পরিকল্পনা রয়েছে-যদি থাকে, তার বিবরণ কি ?

# উত্তর

**নির্বাচন বিভাগের মন্ত্রী মহোদয় উত্তর দেবেন-**

(ক) ২০২৩ সালে কোনো বিশেষ সংশোধন (Special Revision) করা হয়নি। তবে উল্লেখ করা হয়েছে যে, বিশেষ সংশোধন, ২০২৬-এ সকল কাজ ECI-এর নোটিফিকেশন নং ২৩/২০২৫-ERS (Vol. II), তারিখ ১৭/১১/২০২৫ অনুসারে ECI নির্দেশিকা অনুসরণ করে সম্পন্ন করা হয়েছে।

(খ) বিশেষ সংশোধন, ২০২৬-এ দাবি ও আপত্তির তালিকার হার্ড কপি জেলাগুলোতে সাপ্তাহিক সভায় ৫, ১২, ১৯ এবং ২৭ জানুয়ারি, ২০২৬-এ জাতীয় ও স্বীকৃত রাজনৈতিক দলগুলোকে প্রদান করা হয়েছে। দাবি ও আপত্তির তালিকা অনলাইনেও CEO/DEO (https://ceoassam.nic.in/summary/Claims&Objections2026.html) ওয়েবসাইটে উপলব্ধ রয়েছে। এছাড়াও পোলিং স্টেশন স্তরে এবং BLO/BLA-এর সাথে সকল জেলায় সভা অনুষ্ঠিত হয়েছে।

(গ) জেলাভিত্তিক তথ্য **সংযোজনী-I**-তে দেওয়া আছে। ৩৫টি জেলাতেই ফর্ম-৭ (আপত্তি/মুছে ফেলার জন্য) অনুযায়ী পর্যালোচিত আপত্তির মোট সংখ্যা নিম্নরূপ-

| | ফর্ম প্রাপ্ত | ফর্ম গৃহীত | ফর্ম প্রত্যাখ্যাত | ফর্ম অমীমাংসিত |
|---|---|---|---|---|
| ফর্ম-৭ | ১২,৯৭,৭৯৭ | ১০,৬৩,৬৪৭ | ১,৯০,৬৩৬ | ৪৩,৫১৪ |

বিরোধী দলগুলির থেকে প্রাপ্ত স্মারকপত্র অনুসারে, CEO, অসম, সকল জেলার DEO/ERO-দের দাবি ও আপত্তি নিষ্পত্তির শুনানির উপস্থিতির রসিদ প্রদানের নির্দেশ দিয়েছেন। সমষ্টিগত আবেদন প্রাপ্তির ক্ষেত্রে, সকল DEO-দেরকে পত্র নং: ELE. ৯৭/২০২৩/Pt. I/৭৬, তারিখ ২৮/০১/২০২৬ অনুসারে নির্দেশ জারি করা হয়েছে (**সংযোজনী-II**)।

(ঘ) CEO, অসম-এর অফিস থেকে সকল DEO-দেরকে ৯ জানুয়ারি, ২০২৬ এ ভিডিও কনফারেন্সের মাধ্যমে এবং পত্র নং ELE. ৯৭/২০২৩/Pt. I/৭৬, তারিখ-২৮/০১/২০২৬ অনুসারে নির্দেশ জারি করা হয়েছে (**সংযোজনী-III ও IV**)।

(ঙ) ফর্ম-৬, ফর্ম-৭ এবং ফর্ম-৮-এ প্রাপ্ত সকল দাবি ও আপত্তি 'The Representation of the People Act, 1950', 'The Registration of Electors Rules, 1960' এবং প্রযোজ্য অন্যান্য বিদ্যমান ECI নির্দেশিকা অনুসারে ERO-রা নিষ্পত্তি করেছেন। তবে বিভিন্ন মহল থেকে অভিযোগ প্রাপ্তির পর, DEO-দেরকে 'The Representation of the People Act, 1950'-এর ধারা-৩১ অনুসারে যথাযথ ব্যবস্থা গ্রহণের নির্দেশ দেওয়া হয়েছে।

**দ্রষ্টব্য:- সংযোজনীসহ একটি প্রতিলিপি অসম বিধান সভার অনলাইন পোর্টালে জমা দেওয়া হয়েছে।**

**অসম বিধান সভা**
**উত্তৰ দানৰ তাৰিখ – ১৭/০২/২০২৬**

**তৰা বিহীন প্ৰশ্ন নং** : **১৪**

বিষয় : **জল জীৱন মিছনৰ আঁচনি**

বিধায়ক : **শ্ৰীনজৰুল হক**

**মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

(ক) ২০২৪ আৰু ২০২৫ বিত্তীয় বৰ্ষত জল জীৱন মিছনৰ জৰিয়তে অসমত কিমান লোকৰ ঘৰত বিশুদ্ধ খোৱা পানী যোগান ধৰা হৈছে? (জিলা ভিত্তিত তালিকা সদনত দাখিল কৰিব।)

(খ) ২৩ নং ধুবুৰী বিধান সভা সমষ্টিৰ কোন কোন পঞ্চায়তত এতিয়ালৈকে জল জীৱন মিছনৰ জৰিয়তে কিমান লোকৰ ঘৰত বিশুদ্ধ খোৱা পানী যোগান ধৰা হৈছে আৰু কিমান পৰিয়াল বাকী আছে? বাকী থকা পৰিয়ালসমূহক সামৰি লবলৈ কিমান PWSS ৰ প্ৰয়োজন হ'ব? (বিতং তথ্য সদনৰ মজিয়াত দাখিল কৰিব।)

**উত্তৰ**

**জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰীযুত জয়ন্ত মল্ল বৰুৱা দেৱে উত্তৰ দিব।**

(ক) ২০২৪ আৰু ২০২৫ বিত্তীয় বৰ্ষত জল জীৱন মিছনৰ জৰিয়তে মুঠ ৩,৯৮,০৩৪ (3.98,034) লোকৰ ঘৰত বিশুদ্ধ খোৱা পানী যোগান ধৰা হৈছে । জিলা ভিত্তিক তালিকা Annexure-1 ত সংলগ্ন কৰা হৈছে । (NeVA Portal ত upload কৰা হৈছে।)

(খ) ধুবুৰী বিধান সভা সমষ্টিত জল জীৱন মিছন আঁচনিৰ অধীনত ৩২,৯৬৬ টা পৰিয়ালক এফ. এইচ. টি. চি. (FHTC) সংযোগ প্ৰদান কৰা হৈছে । ২০,০৩১ টা পৰিয়ালক জল জীৱন মিছন আঁচনিৰ অধীনত এফ. এইচ. টি. চি. (FHTC) সংযোগ প্ৰদান কৰা নাই । জল জীৱন মিছন আঁচনিৰ অধীনত এই পৰিয়ালসমূহক সামৰি লবলৈ পিছত পৰৱৰ্তী সময়ত সিদ্ধান্ত লোৱা হ'ব ।

# ASSAM LEGISLATIVE ASSEMBLY
# ORIGINAL UNSTARRED QUESTION NO. 15
# DATE OF REPLY: 17/02/2026

**Sub: Identification of tourism potential an livelihood generation in Dholai**

**-Shri Nihar Ranjan Das,MLA**

## :::Questions:::

**Will the Minister of Tourism be pleased to state:**

(a) Whether any touism potential sites have been identified in or around the Dholai Vidhansabha Constituency;

(b) The details of funds sanctioned or proposed for development of eco-tourism, river-based or cultural tourism projects in the area; and

(c) The steps taken to involve local youth, SHGs and entrepreneurs for tourism-linked livelihood generation?

**Hon'ble Minister of Tourism, Shri Ranjeet Kumar Dass will give the reply:-**

(a) Tourism Department, Government of Assam has identified the following Tourism potential sites in or around the Dholai Vidhansabha Constituency.

**(1) SRI KRISHNA RUKMINI KALAKSHETRA :**

This Kalakshetra is dedicated to Lord Krishna and his consort Rukmini. It's a treasure trove of art, culture, and spirituality, hosting various festivals and events throughout the year, including the famous India Tourism at Khompal and BharatiyaSanskritik Utsav. Established on January 1st, 2014, it has completed its glorious 11th successful year and is entering its 12th year. Located under the jurisdiction of Dholai LAC and Silchar Parliamentary Constituency, it is approximately 30 kms from Silchar, the headquarters of Cachar District, towards the south of Silchar-Aizwal Road, on the western bank of the Heritage River Rukmini. According to legend, Lord Sri Krishna and his wife Rukmini once took their Holi bath here.

Khompal (the HQs of Sri Krishna Rukmini Kalakshetra), a significant place with historical and mythological importance, is associated with Sri Krishna Rukmini Kalakshetra. Khompal was also a transit route for Veer Chilarai's Bengal expedition and had a godown for tea leaves during the British era, earning it the name "Gudamghat".

As per legend, Lord Krishna and Rukmini took a Holi bath in the Heritage River Rukmini here. The site attracts tourists and devotees, especially during festivals like Tarpanvidhi of Pitri Paksha and Firal Festival and other year-long programmes.

**(2). BHUBAN PAHAR @ HOLI BHUBAN THIRTH :**

Perched in the scenic Bhuban Hills, this revered Shiva temple, LOCATED ABOUT 40 Km from Silchar town is a testament to the region's rich cultural heritage. Visitors can enjoy trekking, hiking, and exploring the lush surroundings while soaking in the spiritual ambiance.

BhubanPahar, also known as Holi Bhuban Tirth, is a sacred hill shrine, a prominent tourist center and pilgrimage site under the jurisdiction of Dholai LAC and the Dholai Co-District of Cachar, Assam. It is a prominent tourist center in Assam, India, revered for housing the divine presence of Lord Shiva and Goddess Durga. This site holds immense spiritual significance, attracting devotees and tourists alike.

**Key Features:**

1.**Sacred Hill Shrine** :Bhuban Pahar is a revered pilgrimage destination, featuring temples dedicated to Lord Shiva and Goddess Durga.

2. **Spiritual Significance** : The hill is believed to be the visiting place of Lord Sri Krishna and his wife Rukmini Devi after the 'Rukmini-Haran' episode of the epic era, and possesses sacred energy, making it an ideal tourist location for spiritual growth and self-reflection.

(b) No specific funds have been sanctioned or proposed so far for development of eco-tourism, rive-based or cultural tourism projects in the area.

(c ) Assam Tourism Department has taken implementation of various tourism promotion and tourism linked livelihood generation oriented schemes across the State from time to time and eligible beneficiaries from the above constituency may avail such opportunities subject to fulfillment of prescribed guidelines.

***************

The reply is also submitted in NeVA portal of ALA

**অসম বিধান সভা**

**উত্তৰ দানৰ তাৰিখ – ১৭/০২/২০২৬**

**তৰা বিহীন প্ৰশ্ন নং** : **১৬**

বিষয় : ঠিকাদাৰসকলৰ বিল অনাদায় সম্পৰ্কে

বিধায়ক : ডা: আচিফ মহম্মদ নাজাৰ

**মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

(ক) জল জীৱন মিছন আঁচনিৰ অধীনত সম্পূৰ্ণ হোৱা পানী যোগান আঁচনিৰ কামৰ ঠিকাদাৰ সকলক অনাদায় বিল সমূহ আদায় দিবলৈ চৰকাৰে কিবা ব্যৱস্থা লৈছে নে ?

(খ) জনস্বাস্থ্য কাৰিকৰী বিভাগৰ SBM আঁচনিৰ অধীনত লাহৰীঘাটত বৰ্তমান কি কি কাম চলি আছে ?

**উত্তৰ**

**জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰীযুত জয়ন্ত মল্ল বৰুৱা দেৱে উত্তৰ দিব।**

(ক) ঠিকাদাৰ সকলক দিবলৈ বাকী থকা ধনৰাশি বিতৰণৰ বাবে প্ৰয়োজনীয় পুঁজিৰ দাবী ইতিমধ্যে মন্ত্ৰালয়ৰ ওচৰত দাখিল কৰা হৈছে। বিষয়টো উপযুক্ত স্তৰত উত্থাপন কৰা হৈছে আৰু ধন লাভৰ ওপৰত নিৰ্ভৰ কৰি ধন পৰিশোধ কৰা হ'ব।

(খ) জনস্বাস্থ্য কাৰিকৰী বিভাগ (অনাময়)'ৰ মৰিগাওঁ সংমণ্ডলৰ অধীনত লাহৰীঘাটত বৰ্তমান End of Drainage Treatment Plant-৯০ টা, CMSC- ৮ টা Community Compost Pit-৩০ টাৰ কাম নিৰ্মীয়মাণ অৱস্থাত আছে।

অসম বিধান সভা

তারাবিহীন প্রশ্ন নং – ১৭

উত্তর দিয়ার তারিখ – ১৭-০২-২০২৬

বিষয় : এই অর্থ বর্ষে বাজেট কত ছিল এবং কত খরচ করা হয়েছে তাহার সম্পর্কত।

বিধায়কের নাম : শ্রীকমলাক্ষ দে পুরকায়স্থ

মাননীয় বিত্ত বিভাগীয় মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কী ?

প্রশ্ন

(ক) এই অর্থবর্ষে বাজেট কত ছিল এবং কত খরচ করা হয়েছে তাহার তথ্য সদনে প্রকাশ করার জন্য অনুরোধ জানাচ্ছি।

(খ) বর্তমানে আসামে মোট ঘরুয়া উৎপাদন অর্থাৎ GDP কত এবং বিগত ১০ বছরে আসামে GDP কী হারে বৃদ্ধি হয়েছে তাহার তথ্য বিধানসভায় প্রদান করার জন্য অনুরোধ জানাচ্ছি।

গ) অর্থনৈতিক দিক থেকে সমস্ত ভারতবর্ষের প্রেক্ষাপটে আসাম বর্তমানে কী স্থানে আছে?

ঘ) কাটিগড়া Treasurey Office নির্মাণের Proposal পাঠানো হয়েছে কী ? কেননা কাটিগড়ার বৃহত্তর এলাকার জনসাধারণের জন্য ৫ টাকার চালান কিনতে প্রায় ৫০০ টাকা গাড়িভাড়া খরচ করতে হয়, এই ব্যাপারে সরকার কী কোনো ধরনের সিদ্ধান্ত নিয়েছেন ? তাহার তথ্য সদনে প্রকাশ করার জন্য অনুরোধ জানাচ্ছি।

ঙ) আসামের বর্তমানে মোট কত সংখ্যক লোককে অরুণোদয় প্রকল্পের আওতায় আনা হয়েছে?

চ) যেহেতু অনেক বিধান সভা সমষ্টিতে অরুণোদয় টার্গেট অনুসারে Uploaded হয়নি, সেই সমষ্টির Uploaded না হওয়া অরুণোদয় কী করে আগামী দিনে প্রদান করা হবে?

বিত্ত বিভাগৰ মাননীয়া মন্ত্ৰী শ্ৰী যুতা অজন্তা নেওগ ডাঙৰীয়ানীয়ে উত্তৰ দিবঃ

উত্তৰ

(ক) এই অৰ্থবৰ্ষত বাজেট ১৭৪৮৮২৯৭.০০ লাখ টকা আছিল আৰু যিহেতু, ২০২৫-২০২৬ বিত্তীয় বৰ্ষ শেষ হোৱা নাই আৰু ২০২৫-২৬ বৰ্ষৰ বিত্তীয় হিচাপ এতিয়াও মহাপৰিদৰ্শক (এ আৰু ই), অসম কাৰ্যালয়ৰ দ্বাৰা চূড়ান্ত কৰা হোৱা নাই, সেয়েহে বাজেটত ধাৰ্য্য কৰা পুঁজিৰ খৰচৰ হিচাপ মহাপৰিদৰ্শক (এ আৰু ই) ৰ তথ্য উপলব্ধ হলেহে দিব পৰা যাব ।

(খ) আগতীয়া হিচাপ (Advanced Estimate) অনুসৰি, বিত্তীয় বৰ্ষ ২০২৫-২৬ৰ বাবে অসমৰ জি.এছ.ডি.পি (চলিত মূল্যত) হৈছে ৭৪৫২৯৩ কোটি টকা।

২০১৫-১৬ বিত্তীয় বৰ্ষৰ পৰা ২০২৫-২৬ বিত্তীয় বৰ্ষলৈ অসমৰ প্ৰতিবছৰৰ জি.এছ.ডি.পি (চলিত মূল্যত) আৰু জি.এছ.ডি.পি বৃদ্ধিৰ হাৰ(%) (চলিত মূল্যত) তলৰ তালিকাত উল্লেখ কৰা হ'ল :

| বিত্তীয় বৰ্ষ | জি.এছ.ডি.পি (লাখ টকাৰ হিচাপত) | জি.এছ.ডি.পি বৃদ্ধিৰ হাৰ(%) |
|---|---|---|
| ২০১৫-১৬ | ২২৭৯৫৮৮২ | ১৬.৪৭ |
| ২০১৬-১৭ | ২৫৪৩৮২৩৬ | ১১.৫৯ |
| ২০১৭-১৮ | ২৮৩১৬৪৯১ | ১১.৩১ |
| ২০১৮-১৯ | ৩০৯৩৩৬৩২ | ৯.২৪ |
| ২০১৯-২০ | ৩৪৬৮৫০৬৮ | ১২.১৩ |
| ২০২০-২১ | ৩৩৯৮০২৯৮ | -২.০৩ |
| ২০২১-২২ | ৪১০৭২৩৫৬ | ২০.৮৭ |
| ২০২২-২৩ | ৪৮৪৯৮৪৯৪ | ১৮.০৮ |
| ২০২৩-২৪ (আনুমানিক হিচাপ) | ৫৬২০১৫৭০ | ১৫.৮৮ |
| ২০২৪-২৫ (খৰতকীয়া হিচাপ) | ৬৪৩৩৮২৭৯ | ১৪.৪৮ |
| ২০২৫-২৬ (আগতীয়া হিচাপ) | ৭৪৫২৯২৭২ | ১৫.৮৪ |

PE: Provisional Estimate (আনুমানিক হিচাপ), QE: Quick Estimate (খৰতকীয়া হিচাপ), AE: Advanced Estimate (আগতীয়া হিচাপ)

(গ) ভাৰতীয় ৰিজাৰ্ভ বেংক (RBI) ৰ প্ৰতিবেদন অনুসৰি, বিত্তীয় বৰ্ষ ২০২৩-২৪ (PE) ত ভাৰতৰ সকলো ৰাজ্যৰ ভিতৰত অসমে সৰ্বাধিক বিকাশৰ হাৰ লাভ কৰিছে আৰু বিত্তীয় বৰ্ষ ২০২৪-২৫ (QE) ত ৰাজ্যিক ঘৰুৱা উৎপাদনৰ (GSDP) বিকাশৰ ক্ষেত্ৰত দেশৰ শীৰ্ষ ছয়খন ৰাজ্যৰ ভিতৰত স্থান পাব বুলি ধাৰণা কৰা হৈছে।

(ঘ) কাটিগড়া Treasury Office নিৰ্মাণৰ সন্দৰ্ভত কাছাৰ জিলা উপায়ুক্ত মহোদয়ে পঠিওৱা প্ৰস্তাৱ ...টা হিচাপ আৰু কোষাগাৰ সঞ্চালকালয়ৰ (DoAT) পৰা চৰকাৰে লাভ কৰিছে।

উক্ত প্ৰস্তাৱটো Reserve Bank of India, Accountant General ৰ কাৰ্য্যালয় আৰু যিকোনো Nationalised Bank ৰ Regional office ৰ কৰ্তৃপক্ষৰ অনুমোদন সাপেক্ষে কাৰ্য্যকৰী কৰিব পৰা যাব।

উল্লেখ কৰা হয় যে ইতিমধ্যে চৰকাৰৰ তৰফৰ পৰা e-grass নামেৰে এটা প'ৰ্টেলৰ ব্যৱস্থা কৰা হৈছে যাৰ দ্বাৰা জনসাধাৰণে নিজৰ ঘৰৰ পৰা অথবা যিকোনো চাইবাৰ কেফেৰ পৰা Treasury Office লৈ নোযোৱাকৈ Treasury challan সমুহ কাটিব পৰা ব্যৱস্থা কৰা হৈছে।

(ঙ) অৰুণোদয় ৩.০ আঁচনিত এই পৰ্যন্ত ৩৯,৭০,৭৩৪ জন হিতাধিকাৰী কৰা হৈছে।

(চ) অৰুণোদয় ৩.০ আঁচনিৰ অধীনত হিতাধিকাৰী অন্তৰ্ভুক্তিকৰণ প্ৰক্ৰিয়া এই পৰ্যন্ত চলি আছে।

*****

অসম বিধান সভা
তৰাবিহীন প্ৰশ্ন নং ১৮
উত্তৰ দিয়াৰ তাৰিখ-১৭-০২-২০২৬

**বিষয়ঃ অংগনবাড়ী কেন্দ্ৰসমূহত আঁচনি ৰূপায়ণৰ সম্পৰ্কে।**

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ,বিধায়ক**

**প্ৰশ্নঃ**

মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমত সৰ্বমুঠ কিমান অংগনবাড়ী কেন্দ্ৰ আছে? পাকা বেতবাৰী সমষ্টিত থকা অংগনবাড়ী কেন্দ্ৰ তালিকা দিব। এই কেন্দ্ৰসমূহত নিয়োজিত কৰ্মী আৰু সহায়িকাৰ তালিকা দিব।
(খ) অসমত এতিয়ালৈকে কিমানখন অংগনবাড়ী কেন্দ্ৰ আদৰ্শ কেন্দ্ৰ হিচাপে নিৰ্মাণ কৰা হ'ব? বাকী থকা কেন্দ্ৰসমূহ কেতিয়া নিৰ্মাণ কৰা হ'ব?
(গ) বৰ্তমান অংগনবাড়ী কেন্দ্ৰসমূহত চৰকাৰৰ কি কি আঁচনি চলি আছে? আঁচনিসমূহ জনাব।

**উত্তৰঃ-**

**মাননীয়া মহিলা আৰু শিশু বিকাশ বিভাগৰ মন্ত্ৰী শ্ৰীযুতা অজন্তা নেওগ মহোদয়াই উত্তৰ দিবঃ-**

(ক) অসমত বৰ্তমান ৬২১৪২ টা অঙ্গনবাড়ী কেন্দ্ৰ আছে। পাকাবেতবাৰী সমষ্টিত থকা অঙ্গনবাড়ী কেন্দ্ৰ আৰু নিয়োজিত কৰ্মী আৰু সহায়িকাৰ তালিকা **পৰিশিষ্ট-'ক'** ত সংলগ্ন কৰা হ'ল।
(খ) অসমত সৰ্বমুঠ ৯০৫৪ টা আদৰ্শ অঙ্গনবাড়ী কেন্দ্ৰৰ নিৰ্মাণ হৈ আছে। বাকী থকা কেন্দ্ৰসমূহ নিৰ্মাণৰ ক্ষেত্ৰত বৰ্তমানলৈ কোনো সিদ্ধান্ত লোৱা হোৱা নাই।
(গ) বৰ্তমান অঙ্গনবাড়ী কেন্দ্ৰ সমুহত চৰকাৰৰ চলি থকা আঁচনি সমূহ তলত উল্লেখ কৰা হ'ল:-

১) সংহত শিশু উন্নয়ন সেৱা আঁচনি(ICDS)।
২) পৰিপূৰক পুষ্টি আঁচনি (SNP)।
৩) কিশোৰী সকলৰ বাবে আঁচনি (SAG)।
৪) প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা আঁচনি (PMMVY)।
৫) বেটী বচাও বেটী পঢ়াওঁ আঁচনি (BBBP)।

(ওপৰোক্ত উত্তৰৰ প্ৰতিলিপি **পৰিশিষ্ট- 'ক'** ৰ সৈতে বিধান সভাৰ ৱেবচাইট https://cms.neva.gov.in ত আপলোড কৰা হ'ল)।

*************

# ASSAM LEGISLATIVE ASSEMBLY

## UNSTARRED ASSEMBLY QUESTION NO.19

Date of Reply :-17/02/2026

*Sub.* : **Registration of vendors and payment of GST.**

Name of MLA : Shri ABDUR RASHID MANDAL:

Will the Minister of Panchayat and Rural Development Department be pleased to state:

(a) Please furnish the Government notifications or guidelines for registration of vendors for supply or procurement of materials for works under MGNREGA and funds awarded by Finance Commission.

(b) Please furnish ZP wise and Block wise list of registered or approved vendors with addresses as on today including copy of relevant NIT (notice inviting tender) or EOI (Expression of Interest).

(c) Please furnish year wise and vendor wise total amount of bill paid by the CEOs, BDOs during the tenure of present Government furnishing details of sale taxes, GST etc. deducted at the sources of payment or paid by the vendors directly to the Government along with relevant challans or receipts of payments of taxes.

(d) Please furnish the rules or guidelines on formation of construction committees for execution of works with funds awarded under 15th Finance Commission.

**Answer**

Hon'ble Minister of Panchayat & Rural Development Department **Shri Ranjeet Kumar Dass** will reply:-

(a) In respect of MGNREGA, the Standard Operating procedure on procurement under MGNREGA (No- DRD-15/55/2017/306 dated 1 Nov 2021is placed at **Annexure A.**

The framework for procurement of construction material for permissible works under MGNREGA through Government e Marketplace (GeM) (K-11033/21/2025-RE-V(392749) dated 7 January 2026 which was rolled out only for Darrang District as a pilot district is placed at **Annexure B.**

In respect of Finance Commission, there is no any registered vendors for procurement of materials for implementation of the schemes as the schemes under Finance Commission are implemented through construction committees.

(b) In respect of MGNREGA, there are 8416 nos of registered and approved vendors under MGNREGA for supply of material. The district wise list of approved and registered vendors under MGNREGA for supply of material is placed at **Annexure C**.

The district wise list of registered and approved vendors with addresses as on today including copy of relevant NIT (notice inviting tender) or EOI (Expression of Interest) is placed at **Annexure D**.

Not applicable in respect of Finance Commission.

(c) In respect of MGNREGA, the district wise details of year wise and vendor wise total amount of bill paid by the CEOs, BDOs during the tenure of present Govt is placed at **Annexure E**.

Not applicable in respect of Finance Commission.

(d) The guidelines on formation of construction committees as per Notification vide No.PDA.149/2020/33, dated Dispur the 23rd November, 2020 for execution of works with funds awarded under 15th Finance Commission in respect of GP, AP and ZP as follows -

**For Scheme at GP Level:**

i. Chairman: Chairman of the Committee will be selected by the CEO/BDO in consultation with the user group. The Chairman can not be a PRI representative.

ii. Member: Secretary-Gaon Panchayat Secretary

iii. Member: Concerned Junior Engineer

iv. Member: Concerned GP President

v. Member: Concerned AP Member of the GP

vi. Member: Concerned Ward Member of the GP

The Construction Committee will be constituted by Chief Executive Officer, Zilla Parishad for schemes above Rs. 10 lacs. The BDO will constitute the Construction Committees for schemes upto Rs 10 lacs.

**For Scheme at AP Level:**

i. Chairman: Chairman of the Committee will be selected by i. the BDO in consultation with the user group. The Chairman cannot be a PRI representative

ii. Member Secretary: Executive Officer, AP/BDO

iii. Member: Concerned Junior Engineer

iv. Member: Concerned AP Member.

v. Member: Concerned ZPC Member

**For Scheme at ZP Level:**

i. Chairman: Chairman of the Committee will be selected by the CEO in consultation with the user group. The Chairman cannot be a PRI representative

ii. Member Secretary: CEO, ZP

iii. Member: Executive Engineer, Zilla Parishad

iv. Member: ZPC Members

The Construction Committee will be constituted by Chief Executive Officer, Zilla Parishad for schemes of ZPs and The BDO/Executive Officer, AP will constitute the Construction Committees for schemes taken up by AP.

Construction Committee must be constituted within seven(7) days from the date of holding meeting of the Advisory and Monitoring Committee.

The comprehensive guidelines for execution of works with funds awarded under 15th Finance Commission is enclosed at **Annexure- 'F'**.

(Enclosures are uploaded in the **'cms.neva.gov.in' portal.)**

*******

অসম বিধান সভা
তৰা বিহীন প্ৰশ্ন নং – ২০
উত্তৰ দিয়াৰ তাৰিখ- ১৭/ ০২/২০২৬

*বিষয়ঃ* **আৱাস ঘৰৰ জৰীপ সম্পৰ্কীয়**
বিধায়কঃ শ্ৰীআব্দুছ ছোৱাহান আলী সৰকাৰঃ

<u>প্ৰশ্ন</u>

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) MGNREGA বা বৰ্তমানৰ ২০২৪-২৫ /২০২৫-২৬ৰ অধীনত অনুমোদন যোগ্য (Permissible) কামৰ তালিকা দিব।

(খ) সদ্য সমাপ্ত আৱাস ঘৰৰ জৰীপত কোন জিলাত কিমান যোগ্য হিতাধিকাৰীৰ জৰীপ কৰা হৈছে? উল্লেখ কৰিব।

(গ) আৱাস ঘৰৰ জৰীপত অন্তৰ্ভুক্ত হোৱা ধুবুৰী জিলাৰ গোলকগঞ্জ আৰু গৌৰীপুৰ সমষ্টিৰ পঞ্চায়ত ভিত্তিক সংখ্যা আৰু তালিকা দিব।

(ঘ) ধুবুৰী জিলাৰ অন্তৰ্গত গোলকগঞ্জ আৰু গৌৰীপুৰ সমষ্টিৰ অন্তৰ্গত গাঁও পঞ্চায়ত সমূহত গ্ৰাম্যসখি বা জীৱিকা সখিৰ দ্বাৰা Survey/Geo-Tag কিমান সংখ্যক প্ৰকৃত হিতাধিকাৰীৰ কৰা হ'ল আৰু কিমান বাকী আছে? Geo-Tag কৰিবলৈ বাকী থকা গাঁও পঞ্চায়তসমূহত কেতিয়ালৈকে সম্পূৰ্ণ কৰা হ'ব?

<u>উত্তৰ</u>

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী **শ্ৰীযুত ৰণজিৎ কুমাৰ দাস** দেৱে উত্তৰ দিবঃ

(ক) মহাত্মা গান্ধী এনৰেগাৰ Annual Muster Circular 2024-25 অনুসৰি ভাৰত চৰকাৰৰ কেন্দ্ৰীয় গ্ৰামোন্নয়ণ মন্ত্ৰালয়ে মহাত্মা গান্ধী এনৰেগাৰ অধীনত Permissible হিচাপে বিবেচনা কৰা মুঠ কামৰ সংখ্যা হৈছে ২৬৬ টা।

এই ২৬৬ টা Permissible কামৰ তালিকা "**পৰিশিষ্ট-ক**" ত সংলগ্ন কৰা হ'ল।

(খ) প্ৰধানমন্ত্ৰী আৱাস যোজনা- গ্ৰামীণৰ অধীনত Awaasplus ২০২৪ জৰীপৰ দ্বাৰা অসমত ইতিমধ্যে ৩৪,৯৯,১১৮ টা পৰিয়ালৰ জৰীপ কৰা হৈছে। বৰ্তমান ভাৰত চৰকাৰৰ গ্ৰামোন্নয়ণ মন্ত্ৰালয়ৰ নীতি নিৰ্দেশনা অনুসৰি এই জৰীপ হৈ যোৱা পৰিয়ালসমূহৰ সত্যাপন (verification) ৰ কাম সমগ্ৰ দেশৰ লগতে অসমতো হৈ আছে। এই সত্যাপন প্ৰক্ৰিয়া সমাপ্ত হোৱাৰ পিছতহে ভাৰত চৰকাৰৰ গ্ৰামোন্নয়ণ মন্ত্ৰালয়ৰ দ্বাৰা যোগ্য হিতাধিকাৰীৰ এক স্থায়ী অপেক্ষাকৃত তালিকা (Permanent Wait List) প্ৰস্তুত কৰা হ'ব।

জিলা ভিত্তিক জৰীপ হোৱা আৱাস গৃহৰ যোগ্য হিতাধিকাৰীৰ তালিকা "**পৰিশিষ্ট খ**" ত সংলগ্ন কৰা হ'ল।

(গ) আৱাস ঘৰৰ জৰীপত অন্তৰ্ভুক্ত হোৱা ধুবুৰী জিলাৰ গোলোকগঞ্জ আৰু গৌৰীপুৰ সমষ্টিৰ পঞ্চায়ত ভিত্তিক পৰিয়ালৰ সংখ্যা তালিকা "**পৰিশিষ্ট গ**" ত সংলগ্ন কৰা হল।

(ঘ) ধুবুৰী জিলাৰ অন্তৰ্গত গোলকগঞ্জ আৰু গৌৰীপুৰ সমষ্টিৰ অন্তৰ্গত গাওঁ পঞ্চায়ত সমূহত গ্ৰাম্যসখি বা জীৱিকা সখিৰ দ্বাৰা Survey/ Geo-Tag কৰা হিতাধিকাৰীৰ সংখ্যা ক্ৰমে ১৭,৯৬৮ আৰু ২৮,১৩৫।

উক্ত Survey ত কিছু সংখ্যক হিতাধিকাৰী বাদ পৰি গৈছিল আৰু এই বাদ পৰি যোৱা আৰু তালিকাভুক্ত হিতাধিকাৰীসকলক ভাৰত চৰকাৰৰ গ্ৰামোন্নয়ণ মন্ত্ৰালয়ৰ Geo-Tagging App-Awaasplus 2024 জৰিয়তে সম্পন্ন কৰা হৈছে। এই (App) টোত Self-Survey আৰু বিভাগৰ দ্বাৰা Assisted Survey সুবিধা আছে। ইয়াৰে ভিতৰত গোলকগঞ্জ সমষ্টিৰ অধীনত ২৪,৪৯৪ জন আৰু গৌৰীপুৰ সমষ্টিৰ অধীনত ৪১,৭৯১ জন হিতাধিকাৰীক জৰীপ কৰা হৈছে। ইয়াৰে সবিশেষ তথ্য "**পৰিশিষ্ট গ**"ত সংলগ্ন কৰা হ'ল।

ইতিমধ্যে ভাৰত চৰকাৰৰ গ্ৰামোন্নয়ন মন্ত্ৰালয়ৰ Survey বাবে বান্ধি দিয়া বৰ্ধিত সময়সীমা সমাপ্ত হৈছে আৰু Awaasplus 2024 অধীনত গোলকগঞ্জ আৰু গৌৰীপুৰ সমষ্টিৰ অন্তৰ্গত সকলো গাওঁ পঞ্চায়তক সামৰি লৈ জৰীপ সম্পূৰ্ণ কৰা হৈছে।

(সংলগ্ন পত্ৰ সমূহ '**cms.neva.gov.in**' পোৰটেলত আপলোড কৰা হৈছে)
(Enclosures are uploaded in the '**cms.neva.gov.in' portal.**)

*******

অসম বিধান সভা

তৰাবিহীন প্ৰশ্ন নং – ২১

উত্তৰ দিয়াৰ তাৰিখ – ১৭-০২-২০২৬

বিষয় : অসমৰ মুঠ ঋণৰ পৰিমাণ।

বিধায়কৰ নাম : শ্ৰীঅখিল গগৈঃ

মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

প্ৰশ্ন

(ক) এই প্ৰশ্নৰ উত্তৰ দিয়া তাৰিখলৈ অসম চৰকাৰৰ মুঠ ঋণ (Total Outstanding Liabilities) ৰ পৰিমাণ কিমান ? ১ এপ্ৰিল, ২০১৬ ৰ পৰা বৰ্তমানলৈ (আনুমানিক) অসমে লোৱা মুঠ ঋণ (Total Outstanding Liabilities) ৰ পৰিমাণ কিমান ? এই সময়খিনিত বছৰি অসম চৰকাৰে লোৱা ঋণৰ পৰিমাণ উল্লেখ কৰিব। ঋণ লোৱা উৎসসমূহ উল্লেখ কৰি প্ৰত্যেকটো ঋণৰ বিপৰীতে অসম চৰকাৰে দিব লগা সুদৰ হাৰ উল্লেখ কৰিব। এই ঋণৰ ধন কি কি কামত খৰচ কৰা হ'ল, বিতং তালিকা প্ৰদান কৰিব।

(খ) ১ এপ্ৰিল, ২০০১ ৰ পৰা বৰ্তমানলৈ অসমত বছৰি ঋণ বৃদ্ধিৰ হাৰ (শতাংশত), প্ৰকৃত জি এছ ডি পি বৃদ্ধিৰ হাৰ (স্থিৰ মূল্যত) আৰু গড় জনমূৰি বৃদ্ধিৰ হাৰ (স্থিৰ মূল্যত) উল্লেখ কৰিব।

(গ) অসমৰ কোনজন মুখ্যমন্ত্ৰীৰ ৫ বছৰীয়া কাৰ্য্যকালত অসমত সৰ্বাধিক ঋণ গ্ৰহণ কৰা হৈছে।

বিত্ত বিভাগৰ মাননীয়া মন্ত্ৰী শ্ৰীযুতা অজন্তা নেওগ ডাঙৰীয়ানীয়ে উত্তৰ দিবঃ

উত্তৰ

(ক) অসম চৰকাৰৰ হিচাপ পত্ৰবোৰ বছৰেকীয়া হিচাপত মহাগাণনিক অসমৰ প্ৰতিবেদনত প্ৰকাশ পায় । যিহেতু ২০২৫-২৬ বিত্তীয় বৰ্ষ চলিত অৱস্থাত আছে সেয়েহে এই প্ৰশ্নৰ উত্তৰ দিয়া তাৰিখলৈ অসম চৰকাৰৰ মুঠ ঋণ (Total Outstanding Liabilities) ৰ পৰিমাণৰ তথ্য উপলব্ধ নহয়।

১ এপ্ৰিল, ২০১৬ৰ পৰা ৩১ মাৰ্চ ২০২৫ লৈ অসমে লোৱা মুঠ ঋণ (Total outstanding liabilities) ৰ পৰিমান বছৰেকীয়া তথ্য তলত উল্লেখ কৰা হ'ল :

(কোটি টকা হিচাপত)

| বিত্তীয়বৰ্ষ | ভাৰত চৰকাৰৰ অনুমোদনৰ বিপৰীতে লোৱা সৰ্বমুঠ ঋণৰ (Total outstanding liabilities) পৰিমাণ |
|---|---|
| ২০১৬-১৭ | ৩৮৩৪৫.৭৬ |
| ২০১৭-১৮ | ৪৫৮৬১.৯০ |
| ২০১৮-১৯ | ৫৫০০৮.২৫ |
| ২০১৯-২০ | ৬৭০৫৪.০২ |
| ২০২০-২১ | ৮২২৯১.০৭ |
| ২০২১-২২ | ৯৩৬৬১.৯৯ |
| ২০২২-২৩ | ১১০৪০১.১৮ |
| ২০২৩-২৪ | ১২৭৫৯৪.৮০ |
| ২০২৪-২৫ | ১৪৩১৭৮.৪৫ |

(Source: Finance Accounts, AG, Assam)

এই সময়খিনিত বছৰি অসম চৰকাৰে ভাৰত চৰকাৰৰ অনুমোদনৰ বিপৰীতে লোৱা ঋণৰ পৰিমান তলত উল্লেখ কৰা হ'ল :

(কোটি টকা হিচাপত)

| বিত্তীয় বৰ্ষ | ভাৰত চৰকাৰৰ অনুমোদনৰ বিপৰীতে লোৱা ঋণৰ পৰিমাণ |
|---|---|
| ২০১৬-১৭ | ৫৬৪৯.৪৫ |
| ২০১৭-১৮ | ১০৪৭৬.২১ |
| ২০১৮-১৯ | ১৪০০৩.৮৮ |
| ২০১৯-২০ | ১৬৬৩৪.৫৩ |
| ২০২০-২১ | ১৮৮০৬.৫৯ |
| ২০২১-২২ | ১৬৫৪৮.৪১ |
| ২০২২-২৩ | ২১৬০২.০২ |
| ২০২৩-২৪ | ২৪১১৭.৫২ |
| ২০২৪-২৫ (প্ৰাক প্ৰকৃত) | ২৫২৯৪.২৭ |

(Source: Finance Accounts, AG, Assam)

ঋণৰ চৰ্তাৱলী অনুযায়ী এই ঋণসমূহৰ আদায় দিবলগীয়া সুদৰ হাৰ ভিন্ন ভিন্ন হয় আৰু সেই অনুসৰি নিয়মীয়াকৈ সুদ আদায় দি থকা হৈছে। এই সময়খিনিত অসম চৰকাৰে লোৱা ঋণৰ উৎস সমূহ আৰু তাৰ বিপৰীতে অসম চৰকাৰে দিব লগা সুদৰ হাৰৰ বিতং তথ্য তলত উল্লেখ কৰা হ'ল :

| ঋণৰ উৎস | সুদৰ হাৰ |
|---|---|
| বজাৰ ঋণ | বজাৰ ঋণৰ সুদৰ হাৰ মূলতঃ RBIৰ ৰেপ'/ৰিভাৰ্ছ ৰেপ' ৰেট, মুদ্ৰাস্ফীতি হাৰ, বেংক নগদতা (liquidity), বজাৰত ঋণৰ চাহিদা-যোগান, ঋণ গ্ৰহণ কৰোতাৰ ক্ৰেডিট ৰিস্ক/ৰেটিং, ঋণৰ ম্যাদ আৰু বিশ্ব অৰ্থনৈতিক অৱস্থা আদিৰ ওপৰত নিৰ্ভৰ কৰে আৰু সেই অনুসৰি প্ৰত্যেক ঋনৰ সুদৰ হাৰ ভিন্ন ভিন্ন হয় । বৰ্তমান সুদৰ হাৰ প্ৰায় ৭%। |
| বিত্তীয় প্ৰতিষ্ঠানৰ ঋণ | বিত্তীয় প্ৰতিষ্ঠান অনুযায়ী সুদৰ হাৰ ভিন্ন ভিন্ন হয় । উদাহৰণ স্বৰূপে, RIDF ৰ ক্ষেত্ৰত বৰ্তমান সুদৰ হাৰ ৪% (Bank Rate - ১.৫%) |
| কেন্দ্ৰীয় ঋণ | কেন্দ্ৰই নিৰ্ধাৰণ কৰা মতে বৰ্তমান সুদৰ হাৰ ৯% । |
| ৰাজ্যিক ভৱিষ্য নিধিৰ অধীনৰ ঋণ | ৰাজ্যিক ভৱিষ্য নিধি (সাধাৰণ ভৱিষ্য নিধি বা GPF) ৰ সুদৰ হাৰ বৰ্তমানৰ বজাৰ পৰিস্থিতি, চৰকাৰী প্ৰতিভূতিৰ লাভ (yield) আৰু ব্যাপক বিত্তীয় নীতিৰ ওপৰত ভিত্তি কৰি কেন্দ্ৰীয় চৰকাৰৰ বিত্ত মন্ত্ৰালয়ে নিৰ্ধাৰণ কৰে। বৰ্তমান সুদৰ হাৰ বছৰি ৭.১% ত স্থিৰ কৰা হৈছে। |

এই ঋণৰ ধনসমূহ বিভিন্ন আন্ত:গাঁথনি উন্নয়নৰ কামত খৰছ কৰা হৈছে যাৰ ফলস্বৰূপে মূলধনী ব্যয় ২০০১-০২ চনৰ ৫৯৫ কোটি টকাৰ পৰা ২০২৪-২৫ বৰ্ষত ২৬৪০৯ কোটি টকালৈ বৃদ্ধি পাইছে । মূলধনী শিতানত কি কি কামৰ বাবে কিমান টকা খৰছ হৈছে তাৰ বিতং তথ্য মহাগাণনিক, অসমৰ বছৰেকীয়া প্ৰতিবেদনত উল্লেখ আছে আৰু এই প্ৰতিবেদনসমূহ মহাগাণনিক, অসমৰ ৱেবচাইট https://cag.gov.in/ae/assam/en-ত উপলব্ধ ।

(খ) ১ এপ্ৰিল ২০০১ ৰ পৰা বৰ্তমানলৈ অসমত বছৰি ঋণ (ভাৰত চৰকাৰৰ অনুমোদনৰ বিপৰীতে লোৱা ঋণ) বৃদ্ধিৰ হাৰ (শতাংশত) তলৰ তালিকাত উল্লেখ কৰা হ'ল:

| বিত্তীয় বৰ্ষ | ঋণ বৃদ্ধিৰ হাৰ (%) |
|---|---|
| ২০০১-০২ | - |
| ২০০২-০৩ | ৪৪.৫১ |
| ২০০৩-০৪ | -১০.১৩ |
| ২০০৪-০৫ | ২২.৪১ |
| ২০০৫-০৬ | -৩৮.৪২ |
| ২০০৬-০৭ | -২৬.৮০ |
| ২০০৭-০৮ | ১০.১৩ |
| ২০০৮-০৯ | ৮৯.২৮ |
| ২০০৯-১০ | -১২.৭৬ |
| ২০১০-১১ | -১.৯৫ |
| ২০১১-১২ | -২৯.৪৮ |
| ২০১২-১৩ | ৩০.৪২ |
| ২০১৩-১৪ | -৩.৮৮ |
| ২০১৪-১৫ | ১৩৪.৪১ |
| ২০১৫-১৬ | ১৫.৯৭ |
| ২০১৬-১৭ | -২১.৬০ |
| ২০১৭-১৮ | ৮৫.৪৪ |
| ২০১৮-১৯ | ৩৩.৬৭ |
| ২০১৯-২০ | ১৮.৭৯ |
| ২০২০-২১ | ১৩.০৬ |
| ২০২১-২২ | -১২.০১ |
| ২০২২-২৩ | ৩০.৫৪ |
| ২০২৩-২৪ | ১১.৬৪ |
| ২০২৪-২৫(প্ৰাক প্ৰকৃত) | ৪.৮৮ |

(Source: Finance Accounts, AG, Assam)

১ এপ্ৰিল, ২০০১ ৰ পৰা বৰ্তমানলৈ অসমত বছৰি প্ৰকৃত জিএছডিপি বৃদ্ধিৰ হাৰ (স্থিৰ মূল্যত) আৰু গড় জনমূৰি বৃদ্ধিৰ হাৰ (স্থিৰ মূল্যত) তলৰ তালিকাত উল্লেখ কৰা হ'ল:

| বিত্তীয় বৰ্ষ | ভিত্তি বৰ্ষ (Base Year) | বৃদ্ধিৰ হাৰ (%) | |
|---|---|---|---|
| | | প্ৰকৃত জি.এছ.ডি.পি. | জনমূৰি আয় |
| ২০০০-০১ | ১৯৯৩-৯৪ | - | - |
| ২০০১-০২ | ১৯৯৩-৯৪ | ৪.৪৭ | ২.০৭ |
| ২০০২-০৩ (সাময়িক অনুমান) | ১৯৯৩-৯৪ | ৩.৩৫ | ২.৫৬ |
| ২০০৩-০৪* | ১৯৯৯-০০ | ১১৬.১৭ | ১১৯.৮২ |
| ২০০৪-০৫* | ২০০৪-০৫ | ২৮.৩৭ | ২২.৭২ |
| ২০০৫-০৬ | | ৩.৪ | ১.৬ |
| ২০০৬-০৭ | | ৪.৬৫ | ৩.১ |
| ২০০৭-০৮ | | ৪.৮২ | ২.৯ |

| | | | |
|---|---|---|---|
| ২০০৮-০৯ | | ৫.৭২ | ৪.৬১ |
| ২০০৯-১০ | | ৯.০০ | ৭.৮৪ |
| ২০১০-১১ | | ৭.২৬ | ৫.৯১ |
| ২০১১-১২* | | ৯১.২৬ | ৯০.৩৮ |
| ২০১২-১৩ | | ২.৯১ | ১.১৪ |
| ২০১৩-১৪ | | ৪.৮৮ | ৩.৩৫ |
| ২০১৪-১৫ | | ৬.৯২ | ৪.২ |
| ২০১৫-১৬ | | ১৫.৬৭ | ১৩.০২ |
| ২০১৬-১৭ | | ৫.৭৪ | ৫.৭৯ |
| ২০১৭-১৮ | | ৮.৮৩ | ৭.৯৫ |
| ২০১৮-১৯ | ২০১১-১২ | ৫.০৬ | ৩.৬৪ |
| ২০১৯-২০ | | ৪.১৮ | ২.৬৩ |
| ২০২০-২১ | | ২.৯৫ | ২.৩২ |
| ২০২১-২২ | | ৪.১৬ | ১.১৩ |
| ২০২২-২৩ | | ১২.২৬ | ১২.৪ |
| ২০২৩-২৪ (সাময়িক অনুমান) | | ১০.৯৬ | ১০.৯৩ |
| ২০২৪-২৫ (দ্ৰুত অনুমান) | | ৮.৫৭ | ৭.৭৩ |
| ২০২৫-২৬ (অগ্ৰিম অনুমান) | | ১০.১২ | ৯.১৮ |

তৰা চিহ্ন (*) দিয়া বছৰবোৰ: পৰিসংখ্যা আৰু কাৰ্যসূচী ৰূপায়ণ মন্ত্ৰালয়ে (MoSPI) স্থিৰ মূল্যত জি.এছ.ডি.পি. (GSDP) গণনাৰ বাবে ভিত্তি বৰ্ষ সংশোধন কৰাক সূচাইছে। তুলনাত্মক সীমাবদ্ধতা: MoSPI ৰ পদ্ধতিগত পৰিৱৰ্তনৰ বাবে এই চিহ্নিত বছৰবোৰৰ আগৰ আৰু পিছৰ প্ৰকৃত মূল্য তথা বৃদ্ধিৰ হাৰ পোনপটীয়াকৈ তুলনা কৰিব নোৱাৰি।

(গ) এখন ৰাজ্যই কিমান ঋণ ল'ব পাৰে, সেইটো নিৰ্ভৰ কৰে মুঠ ঘৰুৱা উৎপাদনৰ ওপৰত। উল্লেখযোগ্য যে AFRBM Act মতে সৰ্বমুঠ ঋণ আৰু মুঠ ঘৰুৱা উৎপাদনৰ অনুপাত (Debt:GSDP) ৩২%ৰ ভিতৰত ৰাখিব লাগে। ইয়াৰ বিপৰীতে অসম চৰকাৰে ভাৰত চৰকাৰৰ অনুমোদনৰ বিপৰীতে লোৱা ঋণ আৰু মুঠ ঘৰুৱা উৎপাদনৰ অনুপাত ২০০১-০২ৰ পৰা ২০২৪-২৫ সময়ছোৱাত, ২০০৪-০৫ বৰ্ষৰ সৰ্বাধিক ৩১%ৰ বিপৰীতে ২০২৪-২৫ বিত্তীয় বৰ্ষত এই অনুপাত হৈছে ২২%। অসমৰ মুঠ ঘৰুৱা উৎপাদন ২০১৬-১৭ চনৰ ২৫৪৩৮২ কোটি টকাৰ পৰা ২০২৫-২৬ বৰ্ষত আনুমানিক হিচাপমতে ৭৪৫২৯২ কোটি টকালৈ বৃদ্ধি পাইছে। আনহাতে, ২০০১-০২ বৰ্ষৰ পৰা ২০১৫-১৬ বিত্তীয় বৰ্ষলৈ এই পোন্ধৰবছৰীয়া সময়ছোৱাত মূলধনী ব্যয় ৫ গুণ বৃদ্ধি পোৱাৰ বিপৰিতে ২০১৬-১৭ৰ পৰা ২০২৪-২৫ বিত্তীয় বৰ্ষলৈ কেৱল ৯ বছৰত মূলধনী ব্যয় ১০ গুণ বৃদ্ধি পাইছে ।

*****

**ASSAM LEGISLATIVE ASSEMBLY**
**UNSTARRED QUESTION NO.22**
**DATE OF REPLY: 17/02/2026**

**Sub : Functional of Sub-treasury at Mandia.**

Shri SHERMAN ALI AHMED :

QUESTION

Will the Minister of Finance Department be pleased to state :

(a) Is it true that Mandia Sub-treasury was sanctioned vide BB.70080/2018/06 (B/S) dated 17-09-2022 and was to transact business w.e.f. 1st Nov., 2022?

(b) Is it true that the questioner requested DC, Barpeta vide No.45/D-105(iii) 2022-23 dated 29-10-2022 to accommodate the said sub-treasury in one of the TET teachers' hostel till a permanent building is sanctioned ?

(c) Is it true that the Hon'ble Minister, Finance requested the DC severally to make the sub-treasury functional at Mandia ?

(d) Is it true that it was assured in the House in reply that the sub-treasury would be accommodated in a building within the office of the Circle Officer, Baghbar ?

(e) If answer to the above questions are yes, why the sub-treasury is not made functional at Mandia and the same is functioning from Barpeta Treasury thereby defeating the very purpose of sanction of the sub-treasury ?

(f) Would the Government be pleased to sanction a permanent sub-treasury building at Mandia ?

ANSWER

Hon'ble Finance Minister Smti Ajanta Neog will reply:

(a) Yes.

(b) Yes. As reported by District Commissioner, Barpeta the said building could not be accommodated due to non-receipt of NOC from the concerned department.

( c ) Yes.

(d) Yes. As reported by District Commissioner, Barpeta the said building is yet to be completed.

(e) A detailed report is called from District Commissioner, Barpeta regarding functioning of a treasury office at Mandia. Decision will be taken on receipt of the report from DC, Barpeta.

(f) As at reply (e).

**Replies are uploaded in https://neva.gov.in**

অসম বিধান সভা
তৰা বিহীন প্ৰশ্ন নং – ২৩
উত্তৰ দিয়াৰ তাৰিখ- ১৭/ ০২/২০২৬

*বিষয়ঃ* **MGNREGA সম্পৰ্কে**
বিধায়িকাঃ শ্ৰীমতী শিৱামণি বৰাঃ

প্ৰশ্ন

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) MGNREGA / VB-G RAM Gত অসমত বৰ্তমানলৈ মুঠ কিমান সংখ্যক জবকাৰ্ড প্ৰদান কৰা হৈছে?

(খ) মুঠ জবকাৰ্ডৰ কিমান সংখ্যক সক্ৰিয় জবকাৰ্ড?

(গ) ২০২৩-২৪ আৰু ২০২৪-২৫ বৰ্ষত অসমত মুঠ কিমান কৰ্ম দিনৰ সৃষ্টি কৰা হৈছিল?

(ঘ) সক্ৰিয় জবকাৰ্ড থকা প্ৰতিটো পৰিয়ালক চলিত বৰ্ষত এশ দিনৰ আৰু VB-G RAM G মতে এশ পঁচিশ দিনৰ কৰ্ম দিনৰ সৃষ্টি কৰিবলৈ হ'লে অসমত মুঠ কিমান কৰ্ম দিনৰ সৃষ্টি কৰিব লাগিব?

(ঙ) চলিত বৰ্ষত ৩১ জানুৱাৰীলৈ কিমান কৰ্ম দিন সৃষ্টি কৰা হ'ল?

উত্তৰ

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী **শ্ৰীযুত ৰণজিৎ কুমাৰ দাস** দেৱে উত্তৰ দিবঃ

(ক) মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চয়তা আইনৰ অধীনত অসমত সৰ্বমুঠ ৭৪.৪৫ লাখ জবকাৰ্ড প্ৰদান কৰা হৈছে।

(খ) সৰ্বমুঠ ৭৪.৪৫ লাখ জবকাৰ্ডৰ ভিতৰত ৩৬.৮৬ লাখ সংখ্যক জবকাৰ্ড সক্ৰিয় অবস্থাত আছে।

(গ) মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চয়তা আইনৰ অধীনত ২০২৩-২৪ আৰু ২০২৪-২৫ বিত্তীয় বৰ্ষসমূহত সৃষ্টি হোৱা মুঠ কৰ্মদিনৰ সংখ্যা তলত উল্লেখ কৰা হৈছে:

| বিত্তীয় বৰ্ষ | সৃষ্টি হোৱা মুঠ কৰ্মদিনৰ সংখ্যা |
|---|---|
| ২০২৩-২৪ | ৮৭৪.২২ লাখ |
| ২০২৪-২৫ | ৭১১.৩৬ লাখ |

(ঘ) বৰ্তমান অসমত ৩৬.৮৬ লাখ সক্ৰিয় জব কাৰ্ড আছে।যদি প্ৰতিটো সক্ৰিয় জব কাৰ্ডৰ বাবে -

- মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চয়তা আইনৰ অধীনত ১০০ কৰ্মদিনৰ সৃষ্টি হয়, তেন্তে মুঠ সৃষ্টি হ'বলগীয়া কৰ্মদিনৰ পৰিমাণ হ'ব ৩,৬৮৬ লাখ, অৰ্থাৎ ৩৬.৮৬ কোটি কৰ্মদিন; আৰু
- ভি বি-জি ৰাম-জি আঁচনিৰ অধীনত ১২৫ কৰ্মদিনৰ সৃষ্টি হয়, তেন্তে মুঠ সৃষ্টি হ'বলগীয়া কৰ্মদিনৰ পৰিমাণ হ'ব ৪,৬০৭.৫ লাখ, অৰ্থাৎ ৪৬.০৮ কোটি কৰ্মদিন।

(ঙ) ৩১ জানুৱাৰী ২০২৬ লৈকে মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চয়তা আইনৰ অধীনত সৃষ্টি হোৱা কৰ্মদিনৰ সংখ্যা হৈছে ৪৬৫.৬৩ লাখ।

*******

**ASSAM LEGISLATIVE ASSEMBLY**
**UNSTARRED QUESTION NO.24**
**DATE OF REPLY: 17-02-2026**

**Name of MLA :** Shri DIPAYAN CHAKRABORTY
**Sub :** AMRUT Water Supply Scheme

**Will the Minister of Housing & Urban Affairs Department be pleased to state :**

**(a)** Whether the Government is aware that under the AMRUT Water Supply Scheme (Phase-I and Phase-II) in Silchar, pipelines have been laid in several areas without maintaining the prescribed depth, resulting in frequent damage to pipelines during road construction and repair works? If so, whether there is any plan to rectify these deficiencies and fix accountability?

**(b)** The residents of Ward Nos. 8, 9 and 10 of Silchar Municipal area have been facing acute drinking water scarcity year after year. When the installation of AMRUT water supply pipelines in these wards is likely to commence and be completed?

**(c)** Whether the Government has taken note that in several locations AMRUT pipelines have been laid through existing drainage systems, thereby obstructing water flow and contributing to urban flooding? If so, what concrete measures are being taken or proposed to mitigate this issue and prevent recurrence?

**(d)** Whether backwash operations and other mandatory testing procedures (including pressure testing and water quality testing) for the already laid AMRUT pipelines in Silchar have been completed? If not, by when these essential procedures are likely to be completed? If not, by when these essential procedures are likely to be completed to ensure safe and uninterrupted water supply?

**ANSWER**

**Hon'ble Minister, Department of Housing & Urban Affairs Shri Jayanta Malla Baruah will reply:**

(a) **Ans:** The pipeline laying works are executed as per specification. It is to mention that there are many underground utilities which needs to be taken care of, in order to avoid any damage to those utilities. The bye-lanes are very narrow and pipeline works need to be carried out with maximum careful manner. Moreover, recently the road widening works and construction of drainage works are executed which hampers and causes damage to our pipes. Any damage caused by other agencies is addressed immediately.

(b) The ward no 8,9,10 under Silchar Municipal area are not considered under AMRUT Ph-1 & 2.

(c) The execution was done with proper consultation with PWD( Roads) Department. Further, utmost caution has been taken to follow the suggestion by the executing agency of the drains i,e PWD(Roads) Department.

(d) The backwash operation is done in the treatment plant for the pipeline. Further the necessary Hydrotesting of the pipeline followed by flashing of the foreign materials were executed during lying of pipeline, which is a mandatory practice as per IS code. A water testing laboratory is already set up in the Treatment Plant, where the required tests are conducted on daily basis.

N.B. Soft copy of the reply along with enclosures has also been submitted through the portal www.cms.neva.govt.in

**************

অসম বিধান সভা

তৰা বিহীন প্ৰশ্ন নং – ২৫

উত্তৰ দিয়াৰ তাৰিখ- ১৭/ ০২/২০২৬

*বিষয়ঃ* **PMAY-Gৰ ঘৰ আবন্টন**

বিধায়কঃ শ্ৰীমজিবুৰ ৰহমানঃ

<u>প্ৰশ্ন</u>

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) PMAY-G আঁচনিযোগে ২০২০-২১ বিত্তীয় বৰ্ষৰ পৰা বৰ্তমানলৈকে অসমত কিমানজন হিতাধিকাৰীয়ে ঘৰ লাভ কৰিছে? ( জিলা ভিত্তিত তালিকা সদনত দাখিল কৰিব।)

(খ) দলগাঁও বিধান সভা সমষ্টিত PMAY-Gৰ আঁচনিৰ অধীনত কিমান হিতাধিকাৰীয়ে আৱাস গৃহ পালে আৰু কিমানে পাবলৈ বাকী আছে?

(গ) Waiting list ত থকা সকলো হিতাধিকাৰীয়ে আৱাস গৃহ পাবনে? যদি পায় কেতিয়ালৈ পাব?

(ঘ) PMAY-G আঁচনিত কিছুসংখ্যক লোকৰ ঘৰৰ Geo-tag কৰাৰ পিছতো হিতাধিকাৰীৰ তালিকাত নাম অন্তৰ্ভুক্ত হোৱা নাই আৰু কিছুমান প্ৰকৃত গৃহহীন দুখীয়া মানুহৰো Geo-tag কৰা হোৱা নাই। সেই সকল দুখীয়া মানুহৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

<u>উত্তৰ</u>

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী **শ্ৰীযুত ৰণজিৎ কুমাৰ দাস** দেৱে উত্তৰ দিবঃ

(ক) প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণ (PMAY-G)ৰ অধীনত অসমত ২০২০-২০২১ বিত্তীয় বৰ্ষৰ পৰা ২০২৫-২০২৬ বিত্তীয় বৰ্ষলৈ মুঠ ২৪,৩৬,৭৫৫ জন হিতাধিকাৰীয়ে ঘৰ লাভ কৰিছে। জিলাভিত্তিক হিতাধিকাৰীৰ তালিকাখন **পৰিশিষ্ট ক**'ত সংলগ্ন কৰা হৈছে।

(খ) দলগাঁও বিধান সভা সমষ্টিত PMAY-G আঁচনিৰ অধীনত ৫৭,০২৫ গৰাকী হিতাধিকাৰী আছে। ইয়াৰে ৫৩,৮৮১ গৰাকী হিতাধিকাৰীয়ে আৱাস গৃহ অনুমোদন পাইছে আৰু ৩,১৪৪ গৰাকীয়ে পাবলৈ বাকী আছে। **পৰিশিষ্ট- খ'** ত গাওঁ পঞ্চায়তৰ তথ্য সমূহ সংলগ্ন কৰা হৈছে।

(গ) প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অধীনত স্থায়ী অপেক্ষাকৃত তালিকাৰ অন্তৰ্গত সৰহসংখ্যক হিতাধিকাৰীয়ে ইতিমধ্যে ঘৰ লাভ কৰিছে। বাকী থকা যোগ্য হিতাধিকাৰীসকলেও প্ৰাধান্য (priority) অনুসৰি ঘৰ লাভ কৰিব।

(ঘ) প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অধীনত আৱাস প্লাছ ২০২৪ জৰীপৰ দ্বাৰা ২০২৫ বৰ্ষত সমগ্ৰ দেশৰ লগতে অসমতো ৩৪,৯৯,১১৮ টা পৰিয়ালৰ Geo-Tag কৰা হয়। সদ্যহতে এই জৰীপ হৈ যোৱা পৰিয়ালসমূহৰ ভাৰত চৰকাৰৰ গ্ৰামোন্নয়ন মন্ত্ৰালয়ৰ নীতি নিৰ্দেশনা অনুসৰি সত্যাপনৰ (Verification) কাম চলি আছে আৰু এই প্ৰক্ৰিয়া সমাপ্ত হোৱাৰ পিছত ভাৰত চৰকাৰৰ গ্ৰামোন্নয়ণ মন্ত্ৰালয়ৰ দ্বাৰা যোগ্য হিতাধিকাৰীৰ স্থায়ী অপেক্ষাকৃত তালিকা প্ৰস্তুত কৰা হ'ব।

এইবাৰৰ আৱাস প্লাছ ২০২৪ জৰীপৰ অধীনত স্বজৰীপ (Self Survey) আৰু Assisted Surveyৰ ব্যৱস্থা আছিল। Assisted Surveyৰ অধীনত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ নিৰ্দিষ্ট জৰীপকৰ্তাৰ দ্বাৰা জৰীপ চলোৱা হৈছিল আৰু স্বজৰীপত যোগ্য বুলি বিবেচিত লোকে নিজাববীয়াকৈ জৰীপ কৰিব পাৰিছিল। স্বজৰীপৰ উদ্দেশ্য আছিল যে কোনো দুখীয়া যোগ্য লোক যাতে এই নতুন জৰীপৰ পৰা বাদ পৰি নাযায়। এই সম্পৰ্কে পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ দ্বাৰা বাতৰি কাকত, ৰেডিঅ আৰু সামাজিক মাধ্যমত ব্যাপক প্ৰচাৰ চলোৱা হৈছিল যাতে কোনো যোগ্য লোক অৱগত নোহোৱাকৈ নাথাকে।

(সংলগ্ন পত্ৰ সমূহ **'cms.neva.gov.in'** পোৰটেলত আপলোড কৰা হৈছে)

(Enclosures are uploaded in the **'cms.neva.gov.in' portal.)**

*******

**অসম বিধান সভা**
**তৰাবিহীন প্ৰশ্ন নং ২৬**
**উত্তৰ দিয়াৰ তাৰিখ-১৭-০২-২০২৬**

**বিষয়ঃ ম'ডেল অঙ্গনৱাড়ী কেন্দ্ৰ।**

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ),বিধায়ক**

**প্ৰশ্নঃ**

**মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

(ক) নগাওঁ জিলাৰ কোন কোন সংহৃত শিশু উন্নয়ন প্ৰকল্পৰ অধীনত কিমান ম'ডেল অঙ্গনৱাড়ী কেন্দ্ৰ অনুমোদন হৈছে আৰু তাঁৰ ভিতৰত কিমান কাম সম্পূৰ্ণ হৈছে?
(খ) এজন ব্যক্তিক সৰ্বোচ্চ কিমান ALCC ৰ সভাপতি দিয়া হৈছে? নগাওঁ জিলাৰ প্ৰতিখন ম'ডেল অঙ্গনৱাড়ী কেন্দ্ৰৰ নিৰ্মাণ কমিটীৰ সদস্যসকলৰ নামৰ তালিকা, বিত্তীয় অগ্ৰগতি, কামৰ অগ্ৰগতিৰ খতিয়ানসহ তালিকা দিব।

**উত্তৰঃ**

**মাননীয়া মহিলা আৰু শিশু বিকাশ বিভাগৰ মন্ত্ৰী শ্ৰীযুতা অজন্তা নেওঁগ মহোদয়াই উত্তৰ দিবঃ-**

(ক) আদৰ্শ অঙ্গনৱাড়ী কেন্দ্ৰ জিলা ভিত্তিত অনুমোদন দিয়া হয়। নগাওঁ জিলাত মুঠ ৫০৫ টা আদৰ্শ অঙ্গনৱাড়ী কেন্দ্ৰৰ অনুমোদন দিয়া হৈছে আৰু ইয়াৰে ২২০ টাৰ কাম সম্পূৰ্ণ হৈছে।
(খ) নগাওঁ জিলাৰ আদৰ্শ অঙ্গনৱাড়ী কেন্দ্ৰৰ নিৰ্মাণ কমিটিৰ সদস্য সকলৰ নামৰ তালিকা, বিত্তীয় অগ্ৰগতি, কামৰ অগ্ৰগতিৰ খতিয়ান সমূহ জিলা উপায়ুক্ত কাৰ্য্যালয়ত উপলব্ধ।

(ওপৰোক্ত উত্তৰৰ প্ৰতিলিপি বিধান সভাৰ ৱেবচাইট https://cms.neva.gov.in ত আপলোড কৰা হ'ল)।

*************

**Assam Legislative Assembly**
**Unstarred Question No.27**
**Date of reply-17/02/2026**

**Subject: Model AWCs**

**Shri SIRAJUDDIN AJMAL, MLA**

**Question: -**

**Will the Minister of Woman & Child Development Department be pleased to state:**

(a) How many Model Anganwadi Centres have been constructed in the state during the financial years 2023-24 and 2024-25? Please give the list of the Model Anganwadi Centres, which have already been constructed/are being constructed in the state district wise;

(b) How many Model Anganwadi Centres have been targeted to be constructed in the state during the financial years 2024-25 and 2025-26, please give the list of the targeted Model Anganwadi Centres to be constructed in the state.

**Answer: -**

**Smti. Ajanta Neog, Hon'ble Minister, Women & Child Development Department, Assam will reply:**

**a)** 2214 nos. Model Anganwadi Centres have been constructed in the state during the financial years 2023-24 and 2024-25. List of the Model Anganwadi Centres are enclosed at **Annexure- "A".**

**b)** A total of 6840 nos. of Model Anganwadi Centres have been targeted to be constructed in the State during the financial years 2024-25 and 2025-26. The list of the said 6840 nos. of the Model Anganwadi Centres are enclosed at **Annexure- "B".**

(Reply with **Annexure "A", and "B"**, has been uploaded in Assam Legislative Assembly's website https://cms.neva.gov.in ).

**************

**অসম বিধান সভা**
**লিখিত প্ৰশ্ন নং.২৮**
**উত্তৰ দিয়াৰ তাৰিখ-১৭/০২/২০২৬**

বিষয়ঃ জনসংখ্যা আৰু মহিলা সবলীকৰণ নীতি

শ্ৰীদেৱব্ৰত শইকীয়া, মাননীয় বিধায়ক।

মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) চৰকাৰী চাকৰিত দুটা সন্তান নীতি প্ৰৱৰ্তনৰ পূৰ্বে মাননীয় উচ্চতম ন্যায়ালয়ৰ কে এছ পুট্টস্বামী বনাম ভাৰত চৰকাৰ (২০১৭) ৰায়ত উল্লেখিত বৈধতা, বৈধ উদ্দেশ্য আৰু সামঞ্জস্যতাৰ নীতি চৰকাৰে বিবেচনা কৰিছিলনে ? যদি কৰিছিল, তেন্ত তাৰ সবিশেষ তথ্য দাঙি ধৰিব।

(খ) দুটা সন্তান নীতিত দত্তক শিশুৰ ক্ষেত্ৰত কোনো ব্যাতিক্ৰমৰ ব্যৱস্থা আছে নে ? যদি আছে, তেন্তে তাৰ বিতং তথ্য দাঙি ধৰিব।

(গ) বিধায়কসকলৰ ক্ষেত্ৰতো পৰিয়াল পৰিকল্পনা নীতি মানি চলিবলৈ কেন্দ্ৰীয় চৰকাৰলৈ কোনো প্ৰস্তাৱ দাখিল কৰা হৈছে নে ? যদি হৈছে, তেন্ত তাৰ বিতং তথ্য দাঙি ধৰিব।

-উত্তৰ-

**স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰীযুত অশোক সিংহল দেৱে উত্তৰ দিবঃ-**

ক) চৰকাৰী চাকৰিত দুটা সন্তান নীতি প্ৰৱৰ্তন কৰাৰ পূৰ্বে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে নিম্নলিখিত বিভাগ সমূহৰ পৰা পৰামৰ্শ / অভিযোগৰ বাবে যোগাযোগ কৰি লগতে আন্তঃ বিভগীয় পৰামৰ্শ গ্ৰহণ কৰি এই নীতি কাৰ্য্যকৰী কৰিছে।

**বিভাগসমূহ হ'লঃ**

1) Personnel Department.
2) Urban Development Department'
3) Finance (Bt) Department.
4) Finance (Taxation) Department.
5) Finance (EC-III) Department.
6) Finance (SIU) Department.
7) Finance (EA) Department.
8) Judicial Department.
9) Handloom Textile & Sericulture Department.
10) Soil Conservation Department.
11) Industries & Commerce Department.
12) Social Welfare Department.
13) Public Health Engineering Department.
14) Secretariat Administration (Establishment) Department.
15) Planning & Development Department.
16) Legislative Department.
17) Agriculture Department
18) Cultural Affairs Department.

খ) দুটা সন্তান নীতিত দত্তক শিশুৰ ক্ষেত্ৰত কোনো ব্যতিক্ৰম ব্যৱস্থা কৰা হোৱা নাই।

গ) বিধায়কসকলৰ ক্ষেত্ৰতো পৰিয়াল পৰিকল্পনা নীতি মানি চলিবলৈ কেন্দ্ৰীয় চৰকাৰলৈ কোনো প্ৰস্তাৱ দখিল কৰা কৰা হোৱা নাই।

---ooo---

Assam Legislative Assembly
Original Un-starrred Question No. 29.
Date of Reply : 17-02-2026
Name of MLA : Shri Nihar Ranjan Das

**Sub :- Court infrastructure and pendency of cases in Dholai area.**

## Question

**Will the Minister of Judicial Department be pleased to state:-**

(a) The present pendency of cases in courts having jurisdiction over the Dholai Vidhansabha Constituency;

(b) Whether adequate judicial officers, staff and infrastructure are available; and

(c) Whether there is any proposal to establish a new court building or fast-track court to ensure timely delivery of justice in the area ?

## Answer

**The Hon'ble Minister of Judicial Department will reply :-**

(a) There is no separate Courts for Dholai Vidhansabha Constituency. However, the said constituency comes under the territorial jurisdiction of Cachar District, wherein 20 Nos. of Courts are functioning with pendency of 24415 as on 31st January, 2026.

(b) As per information received from Gauhati High Court, Guwahati, the following Courts are lying vacant under the District & Sessions Judge Establishment Cachar, Silchar:-
(i) Additional District & Sessions Judge;
(ii) Presiding Officer, Industrial Tribunal;
(iii) Civil Judge Junior Division No. 1; &
(iv) Sub-Divisional Judicial Magistrate (M).

Further, construction works of 3rd & 4th Floor of new Court building of the District & Sessions Judge, Cachar, Silchar is going on and on the verge of completion, where there will be provision of accommodating 5 (five) Nos. of Courts.

(c) There is a proposal for creation of 1 (one) Additional District & Sessions Judge Court additionally to function as NDPS Court, which is under consideration.

*****

অসম বিধান সভা
তৰাবিহীন প্ৰশ্ন নং: ৩০
উত্তৰ দানৰ তাৰিখঃ ১৭-০২-২০২৬
বিধায়কৰ নাম : শ্ৰী আছিফ মঃ নাজাৰ
:

**বিষয় : গোচৰ নিস্পত্তি।**

**প্ৰশ্ন**

মাননীয় ন্যায়িক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) অসমৰ আদালত সমূহত কিমান গোচৰ Pending আৰু কিমান গোচৰ Trial হৈ আছে? ৫ বছৰ, ১০ বছৰ আৰু ২০ বছৰ পুৰণি কিমান গোচৰ নিস্পত্তি নোহোৱাকৈ আছে?

(খ) গোচৰ সমূহ নিস্পত্তি নোহোৱাৰ কাৰণ কি? পৰ্য্যাপ্ত পৰিমানৰ আদালত আৰু দণ্ডাদীশ আছে নে?

**উত্তৰ**

ন্যায় বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰীযুত ৰণজিৎ কুমাৰ দাস মহোদয়ে উত্তৰ দিব :-

(ক) অসমত ০৯-০২-২০২৬ তাৰিখলৈকে ৫,৭২,৮৬৭ সংখ্যক গোচৰ বিচাৰাধীন (Pending) হৈ আছে।
৫ বছৰৰ ওপৰৰ গোচৰ : ৫৪,৭৭৮।
১০ বছৰৰ অধিক পুৰণি গোচৰ : ৯,৫৬৪ (২০ বছৰ পুৰণি গোচৰকে ধৰি)
(তথ্য ৰাষ্ট্ৰীয় ন্যায়িক তথ্য গ্ৰীডৰ ওপৰত ভিত্তি কৰি দিয়া হৈছে)

(খ) গৌহাটী উচ্চ ন্যায়ালয়ে দিয়া তথ্য মতে এই তথ্য গৌহাটী উচ্চ ন্যায়ালত মজুত নাই। সেয়েহে এই প্ৰশ্নৰ উত্তৰ দিব পৰা নাযায়।

*********

## অসম বিধান সভা
### উত্তৰ দানৰ তাৰিখ ১৭-০২-২০২৬

তৰা বিহীন প্ৰশ্ন নং : ৩১

বিষয় : আসামের কোন কোন কেন্দ্রকে সম-জেলাতে রূপান্তরিত করা হয়েছে তাহার সম্পর্কিত ।

বিধায়ক : শ্ৰী কমলাক্ষ দে পুৰকায়স্থ :

মাননীয় সাধারণ প্রশাসন বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কী :

(ক) আসামের কোন কোন কেন্দ্রকে সম-জেলাতে রূপান্তরিক করা হয়েছে ? তাহার তালিকা সদনে প্রকাশ করার জন্য অনুরোধ জানাচ্ছি।

(খ) কাছাড়ের সবচাইতে **Remote Place** একইদিনে একজনের শিলচরে গিয়ে কাজ করে আসাটা অনেক কষ্টকর তাই কাটিগড়াকে সম-জেলা করলে বৃহত্তর এলাকায় মানুষ অনেক উপকৃত হবেন। এই ব্যাপারে সরকার কী ধরনের ব্যবস্থা গ্রহণ করছেন ? তার তথ্য সদনে প্রকাশ করার জন্য অনুরোধ জানাচ্ছি।

গ) সমজেলার অফিস **Temporary Building** কালাইন সংলগ্ন নির্মীয়মান সম্ভাবনা ভবনে করলে মানুষ অনেক উপকৃত হবে। সেই ব্যাপারে সরকার কী ধরণের পদক্ষেপ গ্রহণ করবেন তাহার তথ্য সদনে প্রকাশ করার জন্য অনুরোধ জানাচ্ছি?

**উত্তৰ**

**সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰীযুত ৰণজিৎ কুমাৰ দাস দেৱে উত্তৰ দিব-**

ক) অসমত মুঠ ৭৮ খন সমজিলা গঠন কৰা হৈছিল । গঠন হোৱা ৭৮খন সমজিলাৰ ভিতৰত বৰ্তমানে ৪৯ খন (৩৯+১০) সমজিলা কাৰ্যক্ষম কৰা হৈছে। বিতং তথ্য *পৰিশিষ্ট-‘ ক ’* জৰীয়তে সদনৰ মেজত দাখিল কৰা হ’ল ।

খ) কাছাৰ জিলাৰ অন্তগৰ্ত কাটিগড়া সমজিলাক কাৰ্যক্ষম কৰা বিষয়টিৰ বাবে জিলা আয়ুক্তৰ পৰা বিস্তৃত প্ৰতিবেদন বিচাৰি পত্ৰ প্ৰেৰণ কৰা হৈছে। জিলা আয়ুক্তৰ পৰা সুনিৰ্দিষ্ট প্ৰস্তাৱ লাভ কৰিলে কাটিগড়া সমজিলাৰ কাৰ্যক্ষম কৰাৰ বিষয়টি উৰ্দ্ধতন কৰ্তৃপক্ষৰ ওচৰত বিবেচনাৰ বাবে দাখিল কৰা হ’ব।

গ) জিলা আয়ুক্তৰ পৰা সুনিৰ্দিষ্ট প্ৰস্তাৱ পালে , চৰকাৰে পৰবৰ্তী সময়ত যথোপযুক্ত পদক্ষেপ গ্ৰহণ কৰিব।

(*পৰিশিষ্ট-‘ক’, http://neva.gov.in* পৰ্টেলত আপলোড কৰা হ’ল)

*************

অসম বিধান সভা

তৰাবিহীন প্ৰশ্ন নং: ৩২

উত্তৰ দিয়া তাৰিখ: ১৭/০২/২০২৬

প্ৰশ্ন নং: **৩২**

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ**

বিধায়ক

বিষয়: চলিত বিত্তীয় বৰ্ষত বিভিন্ন শিতানত ধন ব্যয়ৰ সম্পৰ্কে ।

প্ৰশ্ন

মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) চলিত বিত্তীয় বৰ্ষৰ বাবে কোন কোন বিভাগত কিমান টকা ধাৰ্য্য কাৰ হৈছিল ?

(খ) ইয়াৰে কোন কোন বিভাগত কিমান ধন ব্যয় কৰা হৈছে ? যদি ব্যয় কৰা হোৱা নাই আৰু সেই ধনৰাশি কেনেকৈ আৰু কি ধৰণে ব্যয় কৰা হ'ব ? সদনত বিতংকৈ জনাব ।

উত্তৰ

মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী, শ্ৰীমতী অজন্তা নেওগে উত্তৰ দিব ।

(ক) পৰিশিষ্ট 'ক' ত গাথি দিয়া হ'ল ।

(খ) যিহেতু, ২০২৫-২০২৬ বিত্তীয় বৰ্ষ শেষ হোৱা নাই আৰু ২০২৫-২০২৬ বৰ্ষৰ বিত্তীয় হিচাপ এতিয়াও মহাপৰিদৰ্শক (এ আৰু ই), অসম, কাৰ্যালয়ৰ দ্বাৰা চূড়ান্ত কৰা হোৱা নাই, সেয়েহে বাজেটত ধাৰ্য্য কৰা পুঁজিৰ খৰচৰ হিচাপ সম্পৰ্কীয় তথ্য বৰ্তমান প্ৰদান কৰিব নোৱাৰি।

*******

উত্তৰ সমূহ পৰিশিষ্টসহ ই-বিধানত আপল'ড কৰা হ'ল ।

**ASSAM LEGISLATIVE ASSEMBLY**
**UNSTARRED QUESTION NO-33**
**Date of Reply: -17/02/2026**

| | | |
|---|---|---|
| Subject | : | Budget, actual inflow, utilization and borrowing |
| Name of MLA | : | Shri ABDUR RASHID MANDAL : |

**Will the Minister of Finance Department be pleased to state :**

**Question**

**(a)** Please furnish a comparative statement showing budgeted estimates and actual of inflow into the consolidated fund of the state during 2025-26 till 01-02-2026.

**(b)** Please furnish department wise budgeted amount and amounts released by finance department during 2025-26 till 01-2-2026.

**(c)** Please furnish in details the total debt amount of the state as on 01-02-2026 with total amount of interest to be paid annually.

**(d)** Please furnish the borrowing capacity of our state with reference to Fiscal Responsibility and Budget Management Act, (FRBM) 2003. Net Borrowing Ceiling (NBC) and Article 293 of the Constitution of India.

**(e)** Constituency wise number of beneficiaries' selected/provided cash benefits under Orunodoi Scheme and constituency wise total amounts of fund spent for the purpose till 01-02-2026.

**Hon'ble Finance Minister Smti. Ajanta Neog will reply:**

**Answer**

**(a)** The budgeted estimates of inflow into the Consolidated Fund for the Financial year 2025-26 is Rs.15542874.92 Lakh

The annual Finance Accounts of Assam Governments are published by AG office, Assam on financial year basis (1st April to 31st March). As the current financial year 2025-26 is still ongoing, the amount of actual inflow into the Consolidated fund will be available only after the publication of Finance Accounts of 2025-26 by the AG office Assam.

**(b)** The department wise budgeted amounts for expenditure is placed **at Annexure-I**. (uploaded in the https://neva.gov.in portal)

The annual Finance Accounts of Assam Governments are published by AG Office Assam on financial year basis (1st April to 31st March). As the current financial year 2025-26 is still ongoing, the expenditure data against the budgeted amount will be available after the publication of Finance Accounts for the FY 2025-26 by the AG office, Assam.

**(c)** The annual finance accounts of Assam governments are published by AG office on financial year basis. Therefore, the details of the total debt amount of the state as on 01-02-2026 will be available after the end of the current Financial Year.

The interest payments are made as per the terms & conditions of the loans. Government of Assam is paying interest against these loans regularly as per the terms and conditions of the respective loans.

**(d)** As per the Assam Fiscal Responsibility and Budget Management Act, (AFRBM) 2005 (As amended), the borrowing capacity of our state is 32% of GSDP.

Net Borrowing Ceiling of States for each financial year is determined by Department of Expenditure, Ministry of Finance on the basis of projected Gross State Domestic Product (GSDP) of the States and recommendations of the Finance Commission.

**(e)** Constituency wise detailed list of number of beneficiaries is available in the portal **dids.assam.gov.in** and total amounts of fund spent for the purpose under Orunodoi Scheme will be available only after 31.03.2026.

*****

**ASSAM LEGISLATIVE ASSEMBLY**
**UN STARRED QUESTION NO: 34**
**DATE OF REPLY- 17/02/2026**

Sub : Release of fund under 14th FC-2019-20 under Mandia Block.

MLA : Shri SHERMAN ALI AHMED :

Will the Minister of P&R D Department be pleased to state :

(a) Is it true that several schemes under 14th FC-2019-20 including accrued interest under old Mandia Block (now Chenga,Gumafullbari and Rupshi Block) were approved in BLMC and DLMC during 2025 ?

(b) If yes, what were the schemes approved ? Please furnish GP-wise details.

(c) Why the fund of the above schemes are not yet released to the construction committees?

(d) When the fund shall be released?

**REPLY**

Shri Ranjeet Kumar Dass, Hon'ble Minister, Panchayat & Rural Development will reply:

(a) A total no of 21 schemes have been approved by the BLMC under 14th FC, 2019-20 including interest fund in respect of old Mandia Development Block (now Chenga, Gumafulbari & Kalgachia Development Block) during 2025. But no DLMC meeting was held during 2025with regard to 14th FC, 2019-20.

(b) Details of Block/GP wise approved schemes including sanctioned amount and fund released status are enclosed at **Annexure-I.**

(c) Funds in respect of 17 nos. of schemes have not yet been released due to various reasons as mentioned in Column 7 of **Annexure-I.**

(d) Concerned authorities are making sincere efforts to resolve the issues as mentioned in Column 7 of **Annexure-I**. Once the issues are resolved; the funds will be released to concerned construction committees.

**(Enclosures have been uploaded in the www.cms.neva.gov.in portal)**

অসম বিধান সভা
তৰা বিহীন প্ৰশ্ন নং – ৩৫
উত্তৰ দিয়াৰ তাৰিখ- ১৭/ ০২/২০২৬

*বিষয়ঃ* **অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান সম্পৰ্কে।**
বিধায়িকাঃ শ্ৰীমতী শিৰামণি বৰাঃ

প্ৰশ্ন

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ লগতে মুঠ কিমানটা আত্ম সহায়ক গোট জড়িত হৈ আছে আৰু আত্ম সহায়ক গোট সমূহত মুঠ কিমান মহিলা জড়িত হৈ আছে?

(খ) অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানে ২০২১-২২ বৰ্ষৰ পৰা ২০২৪-২৫ বৰ্ষলৈ বৰ্ষ অনুযায়ী কি‹ ‹ পুঁজি কেন্দ্ৰীয় চৰকাৰৰ পৰা আৰু কিমান পুঁজি ৰাজ্য চৰকাৰৰ পৰা লাভ কৰিছিল?

(গ) অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানে কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ পৰা পোৱা পুঁজি কি কি শিতানত ব্যৱহাৰ কৰিলে? ২০২১-২২ চনৰ পৰা ২০২৪-২৫ চনলৈ বিতং তথ্য সদনত দাখিল কৰিব।

উত্তৰ

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী **শ্ৰীযুত ৰণজিৎ কুমাৰ দাস** দেৱে উত্তৰ দিবঃ

(ক) অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ লগতে মুঠ ৩,৬২,১৬৩ টা আত্ম-সহায়ক গোট জড়িত হৈ আছে আৰু আত্ম-সহায়ক গোট সমূহত মুঠ ৩৯,৭৬,৪৫৮ গৰাকী মহিলা জড়িত হৈ আছে।

(খ) অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানে ২০২১-২২ বৰ্ষৰ পৰা ২০২৪-২৫ বৰ্ষলৈ লৈ ভাৰত চৰকাৰৰ গ্ৰামোন্নয়ন মন্ত্ৰালয় (MoRD) আৰু অসম চৰকাৰৰ পৰা লাভ কৰা পুঁজিৰ সবিশেষ তলত দিয়া হ'ল।

| বিত্তীয় বৰ্ষ | কেন্দ্ৰীয় আৰু ৰাজ্যিক অংশ (লাখ টকাত) | | |
|---|---|---|---|
| | কেন্দ্ৰীয় অংশ | ৰাজ্যিক অংশ | সৰ্বমুঠ |
| ২০২১-২২ | ৩৩৬.৮৫ | ৩৮.৯৭ | ৩৭৫.৮২ |
| ২০২২-২৩ | ৪১৩.০৫০৩ | ৪৫.৭২০৪ | ৪৫৮.৭৭ |
| ২০২৩-২৪ | ৫৭৯.৫৪ | ৬২.৬৭ | ৬৪২.২১ |
| ২০২৪-২৫ | ৪৮৬.৬৩ | ৫২.৬২ | ৫৩৯.২৫ |
| **মুঠ** | **১,৮১৬.০৭** | **১৯৯.৯৭** | **২,০১৬.০৫** |

(গ) বিভিন্ন ব্যয়ৰ শিতানত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান (ASRLM)-ৰ অধীনত পুঁজিৰ ব্যৱহাৰ সবিশেষ তলত দিয়া হ'ল।

| ক্ৰমিক নং | আঁচনিৰ নাম | আঁচনিখনৰ চমু বিৱৰণ | পুঁজি ব্যৱহাৰ হোৱা কাৰ্যকলাপসমূহ |
|---|---|---|---|
| ১ | DAY-NRLM | দৰিদ্ৰ পৰিয়ালসমূহক লাভজনক স্ব-নিয়োজনৰ সুবিধা প্ৰদান কৰি দৰিদ্ৰতা দূৰ কৰাৰ উদ্দেশ্যে DAY-NRLM আঁচনিৰ অধীনত লাভ কৰা পুঁজি ব্যৱহাৰ কৰা হয়। ইয়াৰ অধীনত আত্মসহায়ক গোট (SHG) সমূহক সহায় কৰা, সেইবোৰৰ সক্ষমতা বৃদ্ধি, প্ৰাতিষ্ঠানিক সবলীকৰণ আদি বিভিন্ন শিতানত পুঁজি ব্যৱহাৰ কৰা হয়। | ক) প্ৰাতিষ্ঠানিক গঠন আৰু সক্ষমতা বৃদ্ধি<br>খ) সামাজিক একত্ৰীকৰণ আৰু সম্প্ৰদায় ভিত্তিক প্ৰতিষ্ঠান<br>গ) বিত্তীয় অন্তৰ্ভুক্তিৰ পদক্ষেপ<br>ঘ) কৃষিভিত্তিক জীৱিকাৰ প্ৰশিক্ষণ<br>ঙ) মণ্ডল পৰ্যায়ৰ আদৰ্শ সংগঠন (CLF) কৌশলৰ বাবে সক্ষমতা বৃদ্ধি<br>চ) লিংগ বৈষম্য দূৰীকৰণৰ বাবে সক্ষমতা বৃদ্ধি<br>ছ) খাদ্য, পুষ্টি, স্বাস্থ্য আৰু অনাময়ৰ (FNHW) বাবে সক্ষমতা বৃদ্ধি<br>জ) সামাজিক অন্তৰ্ভুক্তিৰ পদক্ষেপৰ বাবে সক্ষমতা বৃদ্ধি<br>ঝ) পঞ্চায়তী ৰাজ প্ৰতিষ্ঠান আৰু সম্প্ৰদায় ভিত্তিক সংগঠনৰ (PRI-CBO) একত্ৰীকৰণৰ বাবে সক্ষমতা বৃদ্ধি<br>ঞ) প্ৰশিক্ষণ আৰু সক্ষমতা বৃদ্ধি - লাখপতি বাইদেউ পদক্ষেপ<br>ট) জন বিনিয়োগ সাহায্য যেনে- আত্মসহায়ক গোটলৈ ঘূৰ্ণীয়মান পুঁজি (RF) অনুদান, সম্প্ৰদায় ভিত্তিক সংগঠনলৈ সামুহিক বিনিয়োগ পুঁজি (CIF), দুৰ্যোগ নিৰাময় পুঁজি (VRF), আদৰ্শ মণ্ডল পৰ্যায়ৰ সংগঠনলৈ ভায়াবিলিটি গেপ ফাণ্ড (VGF) ইত্যাদি। |

| | | | |
|---|---|---|---|
| ২ | **DDU-GKY** | দীন দয়াল উপাধ্যায় গ্ৰামীণ কৌশল যোজনা (DDU-GKY)-ৰ অধীনত লাভ কৰা পুঁজি গ্ৰামীণ দৰিদ্ৰ যুৱক-যুৱতীসকলৰ দক্ষতা বিকাশৰ প্ৰশিক্ষণৰ বাবে ব্যৱহাৰ কৰা হয় যাতে তেওঁলোক সন্তোষজনক দৰমহাৰ চাকৰিৰ বাবে উপযুক্ত হয়। ১৮-৩৫ বছৰ বয়সৰ পঞ্চম শ্ৰেণী উত্তীৰ্ণ হোৱা নূন্যতম শিক্ষাগত অৰ্হতাসম্পন্ন লোক এই আঁচনিৰ বাবে উপযুক্ত। অসমত DDU-GKY কাৰ্যসূচী ২০১৪-১৫ বৰ্ষত আৰম্ভ হৈছিল। | ক) গ্ৰামীণ যুৱক-যুৱতীসকলক প্ৰশিক্ষণ<br>খ) বৰ্তমানৰ লগতে ইতিমধ্যে প্ৰশিক্ষণপ্ৰাপ্ত প্ৰাৰ্থীসকলৰ বাবে প্ৰাক্তন ছাত্ৰ সন্মিলন আয়োজন কৰা।<br>গ) প্ৰশিক্ষণপ্ৰাপ্ত প্ৰাৰ্থীসকলক নিযুক্তিৰ বাবে নিয়োগ মেলা আয়োজন কৰা। |
| ৩ | **SVEP** | ষ্টাৰ্ট-আপ ভিলেজ এণ্টাৰপ্ৰেনিউৰশ্বিপ প্ৰগ্ৰেম (SVEP)-ৰ পুঁজি উদ্যোগৰ প্ৰসাৰৰ বাবে ব্যৱহাৰ কৰা হৈছে। উদ্যোগ প্ৰসাৰ, সক্ষমতা বৃদ্ধি, প্ৰতিষ্ঠানিক শক্তিশালীকৰণ আৰু ৰূপায়ণৰ সহায়ৰ বাবে SVEP-ৰ অধীনত পুঁজি বিভিন্ন অনুমোদিত শিতানত ব্যয় কৰা হয়। | ক) গ্ৰামীণ উদ্যোগৰ প্ৰসাৰ আৰু বিত্তীয় সাহায্যৰ বাবে সামুহিক উদ্যোগ পুঁজি (CEF)<br>খ) প্ৰকল্পৰ কাৰ্যকলাপ ৰূপায়ণ আৰু সমন্বয়ৰ বাবে খণ্ড সম্পদ কেন্দ্ৰ (BRC) স্থাপন<br>গ) কমিউনিটি ৰিছ'ৰ্চ পাৰ্চন-এণ্টাৰপ্ৰাইজ প্ৰমোচন (CRF EP) নিৰ্বাচন আৰু প্ৰশিক্ষণ<br>ঘ) সম্প্ৰদায় ভিত্তিক সংগঠনসমূহৰ (CBO) প্ৰশিক্ষণ আৰু সক্ষমতা বৃদ্ধি<br>ঙ) উদ্যোগীসকলক প্ৰশিক্ষণ আৰু সহযোগিতা প্ৰদান<br>চ) উদ্যোগ প্ৰসাৰ কাৰ্যকলাপত জড়িত CRP-EP সকলক মাননি প্ৰদান<br>ছ) খণ্ড সম্পদ কেন্দ্ৰ (BRC)-ৰ কাৰ্যবাহী ব্যয়<br>জ) বিতং প্ৰকল্প প্ৰতিবেদন (DPR) প্ৰস্তুতি<br>ঝ) আঁচনিৰ নিৰ্দেশনা অনুসৰি মূল্যায়ন অধ্যয়ন চলোৱা<br>ঞ) কাৰ্যসূচী ৰূপায়ণৰ বাবে মানৱ সম্পদৰ ব্যয়<br>ট) পৰামৰ্শ আৰু উদ্যোগ সমৰ্থন সেৱা, যাৰ ভিতৰত আছে ষ্টাৰ্ট-আপৰ পৰৱৰ্তী সময়ৰ সহযোগিতা। |
| ৪ | **MKSP** | কৃষি ক্ষেত্ৰত মহিলাসকলৰ উৎপাদনশীল অংশগ্ৰহণ, তেওঁলোকৰ দক্ষতা বৃদ্ধি আৰু উপাৰ্জন বৃদ্ধিয়েই এই আঁচনিৰ লক্ষ্য। বহনক্ষম, কম খৰচী আৰু জলবায়ু-সহনশীল কৃষি কৌশলৰ জৰিয়তে মহিলা কৃষকসবলীকৰণৰ বাবে মহিলা কিষাণ সশক্তিকৰণ পৰিয়োজনা (MKSP)-ৰ পুঁজি ব্যৱহাৰ কৰা হৈছে। | ক) সংহত কৃষি গোট (Integrated Farming Cluster):<br>i. জীৱিকা সেৱা কেন্দ্ৰ (LSC): প্ৰতিটো কেন্দ্ৰৰ বাবে ২০ লাখ টকা<br>ii. সক্ষমতা বৃদ্ধি, জ্যেষ্ঠ CRP আৰু জীৱিকা CRP-ৰ মাননি, বেচলাইন চাৰ্ভে, DPR প্ৰস্তুতি, প্ৰশিক্ষণ আদি।<br>খ) মূল্য শৃংখল প্ৰকল্পৰ বাবে সহায়: শতফুল মহিলা কিষাণ ফাৰ্মাচ প্ৰডিউচাৰ কোম্পানী লিমিটেড<br>গ) নগাঁৱত মীন পালন মূল্য শৃংখল প্ৰকল্প<br>ঘ) কামৰূপত মৰিংগা (সজিনা) মূল্য শৃংখল প্ৰকল্প<br>ঙ) বৰাক উপত্যকাত দুগ্ধ মূল্য শৃংখল প্ৰকল্প। |
| ৫ | **RSETI** | গ্ৰামীণ স্ব-নিয়োজন আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান (RSETI)ৰ অধীনত স্ব-নিয়োজনৰ বাবে যুৱক যুৱতীক দক্ষতা প্ৰশিক্ষণ প্ৰদান কৰা হয়। প্ৰশিক্ষিত প্ৰাৰ্থীসকলে বেংকৰ ঋণ লৈ নিজাববীয়াকৈ উদ্যোগ আৰম্ভ কৰিব পাৰে। এই কাৰ্যসূচী বেংক, কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰালয় (MoRD) আৰু ৰাজ্য চৰকাৰৰ মাজত এক ত্ৰিপাক্ষিক অংশীদাৰিত্ব। ১৮-৫০ বছৰ বয়সৰ গ্ৰামীণ যুৱক-যুৱতীসকলক আঁচনিখনে সামৰি লয়। | প্ৰশিক্ষণ প্ৰদানৰ বিপৰীতে গ্ৰামীণ লোকৰ প্ৰশিক্ষণ ব্যয় সংশ্লিষ্ট পৃষ্ঠপোষক বেংকক ঘূৰাই (Reimburse) দিয়া হয়। |

*******

অসম বিধান সভা

উত্তৰ দানৰ তাৰিখ – ১৭/০২/২০২৬

**তৰা বিহীন প্ৰশ্ন নং** : ৩৬

বিষয় : **বরাক উপত্যকায় জলজীবন মিশন/পাইপড ওয়াটার সাপ্লাই প্রকল্প সম্পূর্ণ হওয়া সত্ত্বেও নিয়মিত পানীয় জল সরবরাহ চালু না হওয়া প্রসঙ্গে।**

বিধায়ক : **শ্রীখলিল উদ্দিন মজুমদার :**

**মাননীয় জনস্বাস্থ্য কারিগরি বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি:**

(ক) বরাক উপত্যকার অন্তর্গত কাছাড়, করিমগঞ্জ (শ্রীভূমি) ও হাইলাকান্দি জেলার বিভিন্ন গ্রাম ও পাড়ায় জনস্বাস্থ্য কারিগরি (PHE) বিভাগের অধীন জলজীবন মিশন/পাইপড ওয়াটার সাপ্লাই প্রকল্পের অবকাঠামো নির্মাণ কাজ সম্পূর্ণ হওয়া সত্ত্বেও এখনও বহু বাড়িতে নিয়মিত পানীয় জল সরবরাহ চালু করা হয়নি। সরকার কি এ বিষয়ে অবগত আছে ?

(খ) যদি হয়ে থাকে, তবে উক্ত প্রকল্পগুলি চালু না হওয়ার প্রকৃত কারণ কী ?

(গ) উক্ত প্রস্তুত প্রকল্পগুলি চালু করতে বর্তমানে কী ধরণের প্রশাসনিক বা কারিগরি সমস্যার সম্মুখীন হতে হচ্ছে ?

(ঘ) উক্ত সমস্যাসমূহ সমাধান করে কবে নাগাদ বরাক উপত্যকার ঘরে ঘরে নিরাপদ ও নিয়মিত পানীয় জল সরবরাহ নিশ্চিত করার সম্ভাবনা রয়েছে ?

**উত্তৰ**

**জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰীযুত জয়ন্ত মল্ল বৰুৱা দেৱে উত্তৰ দিব।**

(ক) Yes, the Government is aware of the mentioned facts.

(খ) The schemes are defunct due to various reasons as stated in the Annexure- A,B,C& D. (uploaded in NeVA Portal)

(গ) Due to fund constraint for operation & maintenance of schemes, the rectification works has been hampered.
Inter Departmental (e.g. APWD, APDCL etc.) issues are being taken up and communications have been made for restoration of defunct schemes.
Untied funds like 15th Finance Commission and SOPD are utilised by approval of PRI for repairing works.

(ঘ) Damages made by APWD will be rectified by the concerned Department after the widening works are completed and normal supply to be resumed.

The schemes defunct due to non-payment of electricity bills can be resumed once the impending energy bills are cleared by the Zilla Parishad.

Other problems are to be rectified through SOPD funds phase wise after approval and the water supply can be resumed after the rectification/repair of schemes.

**অসম বিধান সভা**
**তৰা বিহীন প্ৰশ্ন নং – ৩৭**
**উত্তৰ দানৰ তাৰিখ –১৭/০২/২০২৬**

বিষয় :- নতুন ব্লক, পঞ্চায়ত ইত্যাদি

বিধায়ক: শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) :

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) নগাঁও জিলাত নতুনকৈ গঠন হোৱা বগৰিগুৰি ব্লকৰ কাৰ্য্যালয় বৰ্তমান ক'ত চলাই থকা হৈছে ? স্থায়ী কাৰ্য্যালয়ৰ বাবে মাটি আৰু অৰ্থৰ আবণ্টন দিয়া হৈছেনে? কেতিয়া নিৰ্মাণ হ'ব?

(খ) 15th FC ৰ Tied Fundৰ অধীনত কি কি কাম কৰা হয় ? নগাঁও জিলাৰ কোন কোন গাঁও পঞ্চায়তৰ Tied Fundৰ ধন এতিয়ালৈকে কিমান খৰচ হ'ল আৰু কিমান বাকী আছে বা ৰাহি আছে ?

(গ) জুৰীয়া ব্লকৰ কোন কোন পঞ্চায়তৰ বাবে Untied Fundত কি কি আঁচনি গ্ৰহণ কৰা হৈছিল আৰু কামৰ অগ্ৰগতিৰ খতিয়ান দিব।

**উত্তৰ**

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী শ্ৰীযুত ৰণজিৎ কুমাৰ দাস দেৱে উত্তৰ দিব :

(ক) নগাওঁ জিলাত নতুনকৈ গঠন হোৱা বগৰিগুৰি ব্লকৰ কাৰ্য্যালয়ৰ কাম-কাজ বৰ্তমান বগৰিগুৰি গাঁও পঞ্চায়তৰ কাৰ্য্যালয়ৰ পৰা অস্থায়ীভাবে চলাই থকা হৈছে।

বগৰিগুৰি ব্লকৰ স্থায়ী কাৰ্য্যালয় নিৰ্মাণৰ বাবে নগাঁও জিলা পৰিষদৰ পৰা নগাঁও জিলা আয়ুক্তলৈ ইতিমধ্যে প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে।

(খ) 15th FC ৰ Tied Fund ৰ অধীনত কৰা কামসমূহ হৈছে :

- Ja Mitra সমূহৰ মাহেকীয়া বেতন দিয়া
- PWSS Scheme ৰ মাহেকীয়া বিদ্যুত মাছুল আদায় দিয়া
- PWSS scheme ৰ মেৰামতিৰ কাম কৰা ইত্যাদি ।

নগাওঁ জিলাৰ গাঁও পঞ্চায়তসমূহৰ Tied Fund ৰ ধনৰ পৰা হোৱা খৰচ আৰু ৰাহিৰ হিচাপ **'পৰিশিষ্ট ক'** ত সংলগ্ন কৰা হ'ল।

(গ) জুৰীয়া ব্লকৰ পঞ্চায়তসমূহৰ বাবে Untied Fund ৰ অধীনত গ্ৰহণ কৰা আঁচনিসমূহৰ নাম আৰু সেই আঁচনিসমূহৰ কামৰ অগ্ৰগতিৰ খতিয়ান **'পৰিশিষ্ট খ'** ত সংলগ্ন কৰা হ'ল।

**(Replies have been uploaded in the website "www. cms.neva.gov.in")**

**অসম বিধান সভা**
**তৰাবিহীন প্ৰশ্ন নং ৩৮**
**উত্তৰ দিয়াৰ তাৰিখ-১৭-০২-২০২৬**

**বিষয়ঃ ম'ডেল অঙ্গনৱাড়ী।**

**ডাঃ আচিফ মঃ নাজাৰ,বিধায়ক**

**প্ৰশ্নঃ**

**माननीय महिला आৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

(ক) লাহৰীঘাট সমষ্টিত বৰ্তমানলৈ কিমান অঙ্গনৱাড়ী কেন্দ্ৰক ম'ডেল অঙ্গনৱাড়ী কেন্দ্ৰলৈ উন্নীতকৰণ কৰা হৈছে?

(খ) ২০২৫-২৬ বিত্তীয় বৰ্ষত চৰকাৰে নতুনকৈ ম'ডেল অঙ্গনৱাড়ী কেন্দ্ৰৰ কাৰণে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

**উত্তৰঃ-**

**माननीয়া মহিলা আৰু শিশু বিকাশ বিভাগৰ মন্ত্ৰী শ্ৰীযুতা অজন্তা নেওঁগ মহোদয়াই উত্তৰ দিবঃ-**

(ক) আদৰ্শ অঙ্গনবাড়ী কেন্দ্ৰৰ অনুমোদন জিলা ভিত্তিতহে দিয়া হয়। বিধান সভা সমষ্টি ভিত্তিত দিয়া নহয়। মৰিগাঁও জিলাত বৰ্তমানলৈ ২১৫ টা অঙ্গনবাড়ী কেন্দ্ৰক আদৰ্শ অঙ্গনবাড়ী কেন্দ্ৰলৈ উন্নীতকৰণ কৰা হৈছে।

(খ) ২০২৫-২৬ বিত্তীয় বৰ্ষত নতুনকৈ মডেল অঙ্গনৱাদী কেন্দ্ৰৰ বাবে বৰ্তমানলৈ ব্যৱস্থা লোৱা হোৱা নাই।

(ওপৰোক্ত উত্তৰৰ প্ৰতিলিপি বিধান সভাৰ ৱেবচাইট https://cms.neva.gov.in ত আপলোড কৰা হ'ল)।

***********

**অসম বিধান সভা**
তৰাবিহীন **প্ৰশ্ন নং-৩৯**
**উত্তৰ দিয়াৰ তাৰিখ- ১৭-০২-২০২৬**

বিষয় : কাটিগড়া বিধান সভা সমষ্টির অন্তর্গত কালাইন নগর হিসাবে ঘোষণা সম্পর্কিত।
বিধায়ক : শ্রী কমলাক্ষ দে পুরকায়স্থ।

মাননীয় গৃহ নির্মাণ ও নগর পরিক্রমা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি:

কাটিগড়া বিধান সভা সমষ্টির অন্তর্গত বৃহত্তর কালাইন সংলগ্ন এলাকাকে কালাইন নগর হিসাবে ঘোষণা করার জন্য দীর্ঘদিন থেকে এক গনদাবী হয়ে উঠে আসছে সেই বিষয়ে সরকার কী কোনো ইতিবাচক চিন্তা করেছেন? যদি করেন, তবে কবে নাগাদ কালাইনকে সরকারীভাবে কালাইন নগর হিসাবে ঘোষণা করা হবে তাহার তথ্য সদনে প্রকাশ করার জন্য আমি অনুরোধ রাখছি।

উত্তৰ :

মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয় শ্ৰীজয়ন্ত মল্ল বৰুৱা দেৱে উত্তৰ দিব:

কাটিগড়া বিধানসভা সমষ্টিৰ অন্তৰ্গত বৃহত্তৰ কালাইন সংলগ্ন এলেকা কালাইন নগৰ হিচাপে ঘোষণা কৰাৰ প্ৰস্তাৱ জিলাৰ জিলা আয়ুক্তৰ পৰা পোৱা হোৱা নাই।কালাইন নগৰ গঠনৰ প্ৰস্তাৱ যদিহে জিলা আয়ুক্তৰ পৰা লাভ কৰা হয়, তেতিয়া হ'লে চৰকাৰে অসম পৌৰ আইন,১৯৫৬ অনুসৰি কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

**Assam Legislative Assembly**
**Unstarred Question No.40**
**Date of reply-17/02/2026**

**Sub. : Anganawadi Centre, Worker & Helper.**

**Shri ABDUR RASHID MANDAL, MLA**

**Question: -**

**Will the Minister of Woman & Child Development Department be pleased to state :**

(a) Total no. of Anganwadi Centres.
(b) Total Anganwadi worker and helper posts lying vacant with duration of vacancies.
(c) No. of Anganwadi Centres functioning separatly in Private House, Rented House, Govt. Building and Model Anganwadi Centre Building.
(d) Any steps taken to fill up the vacancies? If yes, furnish in details. If not, why? When the vacancies will be filled up?
(e) Constitutency wise nos. of Model Anganawadi Centre buildings sanctioned, construction completed, construction in progress of works, average percentage of progress of works, construction not started till now with reasons for non completion or non commencement of works.

**Answer: -**

**Smti. Ajanta Neog, Hon'ble Minister, Women & Child Development Department, Assam will reply:**

a) Total No. of Anganwadi Centre is 62142.

b) Total No. of Anganwadi Worker lying Vacant is 2221 and no. of Anganwadi Helper lying vacant is 9036 as on 4th Feb, 2026. Vacancy is a dynamic figure, depends on various factors, like, superannuation, death, termination, court case etc.

c) No. of Anganwadi Centres functioning in different premises as follows:

Private House – 319 nos.

Rented House 5413 nos.

Govt. Building 56410 nos. (3870 nos. are functioning in Model Anganwadi Centres)

d) Yes, steps have been taken to fill up the vacancies as per Govt. Guidelines. It is a continuous process and steps are being taken from time to time for filling up.

e) Department has sanctioned Model Anganwadi Centre district wise. The District-wise status is enclosed at **Annexure-"A"**.

(Reply with **Annexure "A"** has been uploaded in Assam Legislative Assembly's website https://cms.neva.gov.in ).

*****************

**অসম বিধান সভা**
**তৰা বিহীন প্ৰশ্ন নং- ৪১**
**<u>উত্তৰ দানৰ তাৰিখঃ- ১৭/০২/২০২৬</u>**

**বিষয়ঃ পৰ্য্যটন উন্নয়ন সম্পৰ্কে।**

**শ্ৰীদেৱব্ৰত শইকীয়া, বিধায়ক।**

**প্ৰশ্নঃ**

**মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

(ক) নাজিৰা সমষ্টিত অসম পৰ্য্যটন উন্নয়ন নিগমৰ অধীনত কি কি সুবিধা পৰ্য্যটকৰ বাবে কৰা হৈছিল? এই সমূহৰ বৰ্তমানৰ স্থিতি, ঐতিহাসিক আকৰ্ষিত স্থানত পুনৰ ৰাইজৰ সেৱা ৮. ব্যৱহাৰৰ বাবে মেৰামতি আদিৰ ব্যৱস্থা বিগত সময়চোৱাত কেনেধৰণে লৈছিল অনুগ্ৰহ কৰি জনাব।

(খ) নাজিৰা সমষ্টিত পৰ্য্যটন উন্নয়ন নিগমৰ সম্পদ সমূহ কোনে পৰিচালনা কৰিছে আৰু কেনেধৰণে কৰিছে, যদিহে কাৰোবাক দায়িত্ব দিছে, সেই দায়িত্ব দিয়াৰ চুক্তি আদিৰ লগতে ইয়াৰ লাভালাভৰ তথ্য জনাব।

(গ) চৰাইদেউ বিশ্ব ঐতিহ্যক্ষেত্ৰৰ অন্তৰ্ভুক্ত হৈ থকা নাজিৰা মহকুমাৰ বালিঘাট পৰ্য্যটন আৱাস চৰকাৰে অনুমোদন আৰু পুঁজি অনুমোদন দিয়াৰ পিছতো কিয় কাম বন্ধ কৰিলে?এই কাম খোলাৰ বাবে চৰকাৰক কোনো পক্ষই যোগাযোগ কৰিছিল নেকি, অনুগ্ৰহ কৰি তথ্য দিব আৰু এটা পৰ্য্টক আৱাসৰ বাবে লোৱা প্ৰস্তাৱৰ কেতিয়া পুঁজি মোকলাই দিয়াৰ ব্যৱস্থা কৰিব অনুগ্ৰহ কৰি জনাব।

**উত্তৰঃ**

**মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী শ্ৰীযুত ৰণজিৎ কুমাৰ দাস দেৱে উত্তৰ দিবঃ-**

(ক) নাজিৰা সমষ্টিত অসম পৰ্যটন বিভাগৰ অধীনত ২০০৯-১০ বিত্তীয় বৰ্ষত বৰশীল বৰভোজ স্থলীত পকা বেঞ্চৰ সৈতে এটা প্ৰসাধন গৃহ নিৰ্মাণ কৰা হৈছিল। কামটো শেষ হোৱাৰ পিছত বৰশীল প্ৰসাৰগাৰ তদাৰক সমিতিক ১৮/০১/২০১১ তাৰিখে চোৱাচিতা আৰু মেৰামতি কৰাৰ বাবে অৰ্পণ কৰা হয়। ইয়াৰোপৰি ২০০৮-০৯ বিত্তীয় বৰ্ষত কেন্দ্ৰীয় চৰকাৰৰ পৰ্যটন মন্ত্ৰালয়ৰ অধীনত নিম্নলিখিত আচঁনি সমূহ নাজিৰা মহকুমাধিপতি আৰু জিলা উপায়ুক্তৰ তত্বাৱধানত সম্পূৰ্ণ কৰা হৈছিল আৰু চোৱাচিতা তথা মেৰামতিৰ বাবে দায়িত্ব অৰ্পণ কৰা হৈছিল।

- বাথৰ বেঙনাত পৰ্যটকৰ সা-সুবিধাৰ ব্যৱস্থা
- বৰবৰুৱা পুখুৰীৰ উন্নীতকৰণ আৰু সৌন্দৰ্যবৰ্ধন
- লিগিৰীপুখুৰীৰ উন্নীতকৰণ আৰু সৌন্দৰ্যবৰ্ধন

(খ) নাজিৰা সমষ্টিত অসম পৰ্যটন বিভাগৰ বৰশীল বৰভোজ স্থলীত পকা বেঞ্চৰ সৈতে এটা প্ৰসাধন গৃহ বৰশীল প্ৰসাৰগাৰ তদাৰক পৰিচালনা কৰি আছে। ইয়াৰোপৰি বাথৰ বেঙনাত পৰ্যটকৰ সা-সুবিধাৰ ব্যৱস্থা জিলা উপায়ুক্তৰ অধীনত আছে।

(গ) নাজিৰা মহকুমাৰ বালিঘাট পৰ্যটন আবাস চৰকাৰে অনুমোদন আৰু পুঁজি অনুমোদন দিয়াৰ পিছতো ঠিকাদাৰে সুচাৰুভাৱে কামটো সময়তআৰম্ভ কৰিব নোৱাৰাৰ বাবে ১০/১১/২০১৬ চনত বাতিল কৰা হয়। বালিঘাট পৰ্যটন আবাস নিৰ্মানৰ কোনো পৰিকল্পনা বিভাগে বৰ্তমান হাতত লোৱা নাই ।

*********

The reply is also submitted in NeVA portal of ALA.

অসম বিধান সভা
বাজেট অধিবেশন
তৰা বিহীন প্ৰশ্ন নং- ৪২
উত্তৰ দানৰ তাৰিখঃ- ১৭/০২/২০২৬

বিষয়ঃ কাটিগড়া বিধাসভার অন্তর্গত অনেক স্থান আছে যেখানে পর্য্যটন কেন্দ্র গড়ে তোলার সম্পর্কিত।

শ্রীকমলাক্ষ দে পুরকায়স্থ, বিধায়ক।

প্রশ্নঃ

মাননীয় Tourism বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কিঃ

(ক) বদরপুর সিদ্ধেশ্বর শিব মন্দির ধাম বরাক উপত্যকার সবচেয়ে প্রাচীন সনাতনী ধর্মস্থান। যেহেতু এই সিদ্ধেশ্বর ধাম বরাক নদীর তীরে অবস্থিত। তাই উক্ত স্থানকে একটি বিশেষভাবে পর্য্যটন কেন্দ্র হিসেবে গড়ে তোলতে এখানে আরতী ঘাট নির্মাণ, Tourist Guest House, Museum, ইত্যাদি নির্মাণ করে এই স্থানকে একটি অন্যতম পর্য্যটন কেন্দ্র হিসেবে গড়ে তোলার জন্য সরকার কী কোনো ধরণের পদক্ষেপ গ্রহণ করেছেন ?

(খ) কাটিগড়া বিধানসভার অন্তর্গত অনেক স্থান আছে যেখানে পর্য্যটন কেন্দ্র গড়ে তোলার সম্ভাবনা রয়েছে তাছাড়া এখানে বেশ কয়েকটি পুঞ্জিও রয়েছে যেগুলো প্রাকৃতিক সৌন্দর্যে ভরপুর। তাই এই এলাকায় পর্যাপ্ত পরিমাণে Safety and Security প্রদান করে আগামী দিনে এই অঞ্চলগুলোতে পর্য্যটন কেন্দ্র গড়ে তোলার জন্য সরকারের কী কোনো পরিকল্পনা আছে ?

(গ) সিন্দুরা কাটিগড়া বিধানসভার অন্তর্গত প্রাকৃতিক সৌন্দর্যে ভরপুর একটি স্থান। যেখানে বরাক উপত্যকা সহ বাইরের অনেক পর্য্যটক আসেন। কিন্তু বিগতদিনে এই এলকায় পর্যাপ্ত পরিমাণে Safety and Securityর অভাব থাকায় দুর্ঘটনায় কিছু লোক তাদের প্রান হারায়। তাই এই এলাকায় পর্যাপ্ত পরিমাণে Safety and Security প্রদান করে এই এলাকাকে একটি বিশেষ পর্য্যটন কেন্দ্র হিসেবে গড়ে তোলার জন্য সরকারের প্রতি অনুরোধ জানাচ্ছি।

উত্তৰঃ

মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী শ্ৰীযুত ৰণজিৎ কুমাৰ দাস দেবে উত্তৰ দিবঃ-

(ক) অসম চৰকাৰৰ পৰ্যটন বিভাগৰ দ্বাৰা সিদ্ধেশ্বৰ শিৱ মন্দিৰৰ সমীপত এটি পৰ্যটন আৱাস গৃহ নিৰ্মাণ কৰা হৈছিল আৰু বৰ্তমান এই আৱাস গৃহটো পৰিচালিত হৈ আছে।

(খ) অসম পৰ্যটন বিভাগৰ অধীনত কাটিগড়া সমষ্টিত বৰ্তমান কোনো পৰ্য্যটন কেন্দ্ৰৰ পৰিকল্পনা হাতত লোৱা হোৱা নোই।

(গ) ভৱিষ্যতে বিভাগীয় ক্ষেত্ৰভিত্তিক অধ্যয়নৰ জৰিয়তে বিবেচনা কৰিব পৰা যাব।

****************

The reply is also submitted in NeVA portal of ALA

**অসম বিধান সভা**
**তৰা বিহীন প্ৰশ্ন নং- ৪৩**
**উত্তৰ দানৰ তাৰিখঃ- ১৭/০২/২০২৬**

**বিষয়ঃ পৰ্য্যটকৰ সম্পৰ্কে।**

**ডাঃ আচিফ মহম্মদ নাজাৰ, বিধায়ক।**

**প্ৰশ্নঃ**

**মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

(ক) শিৱসাগৰৰ শলাগুৰিস্থিত আজান ফকীৰ দৰগাহৰ সংৰক্ষণ আৰু সৌন্দৰ্য্যবৰ্ধনৰ বাবে পৰ্য্যটন বিভাগে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(খ) মায়ং আৰু পবিতৰাৰ্লৈ অহা পৰ্য্যটক সকলৰ সুবিধাৰ্থে পৰ্য্যটন বিভাগে এখন অত্যাধুনিক হোটেলৰ ব্যৱস্থা কৰিব নেকি?

**উত্তৰঃ**

**মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী শ্ৰীযুত ৰণজিৎ কুমাৰ দাস দেৱে উত্তৰ দিবঃ-**

(ক) শিৱসাগৰৰ শলাগুৰিস্থিত আজান ফকিৰৰ দৰগাহৰ সংৰক্ষণ আৰু সৌন্দৰ্য্যবৰ্ধনৰ বাবে পৰ্য্যটন বিভাগে ২০০৮-০৯ চনত এককালীন অতিৰিক্ত কেন্দ্ৰীয় সাহায্য (One Time Additional Central Assistance, ACA)ৰ অধীনত ২০ লাখ টকাৰ পুঁজি সাপেক্ষে জিলা আয়ুক্ত, শিৱসাগৰৰ জৰিয়তে তলত উল্লেখ কৰা কাৰ্য্যব্যৱস্থা সমুহ ৰূপায়ন কৰা হৈছে।

১. বহিবলৈ বেঞ্চৰ **ব্যৱস্থাৰে** বিশ্ৰাম গৃহ নিৰ্মাণ।

২. চেপ্টিক টেংকসহ শৌচালয় ব্লক নিৰ্মাণ।

৩. আভ্যন্তৰীণ পথ নিৰ্মাণ।

৪. ইটাৰ চাৰিসীমা দেৱাল নিৰ্মাণ।

৫. ডীপ টিউবৱেল, পাম্প হাউছ, ষ্টেজিং আদি প্ৰদান।

(খ) মায়ং আৰু পবিতৰাৰ্লৈ অহা পৰ্যটকসকলৰ সুবিধাৰ্থে কেন্দ্ৰীয় চৰকাৰৰ পৰ্যটন মন্ত্ৰালয়ৰ পুঁজিৰে ইতিমধ্যে লগ হাট, গেজেবো, কাফেটেৰিয়া, পৰ্যটক তথ্য কেন্দ্ৰ আদি নিৰ্মাণ সম্পূৰ্ণ কৰা হৈছে আৰু এইবোৰ বৰ্তমান পৰিচালিত হৈ আছে। অসম চৰকাৰৰ পুঁজিৰে পবিতৰাত 'প্ৰশান্তি পৰ্যটক নিবাস' ইতিমধ্যে নিৰ্মাণ কৰি পৰ্যটক সকলৰ থকা-খোৱাৰ ব্যৱস্থা কৰা হৈছে।

****************

The reply is also submitted in NeVA portal of ALA.

অসম বিধান সভা

তৰাবিহীন প্ৰশ্ন নং: **88**

উত্তৰ দিয়া তাৰিখ: ১৭/০২/২০২৬

প্ৰশ্ন নং: **88**

**শ্ৰীদেৱব্ৰত শইকীয়া**

বিধায়ক

বিষয়: **দৰমহা, মজুৰি ইত্যাদি।**

প্ৰশ্ন

মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম চৰকাৰৰ পৰা দৰমহা, মজুৰি বা সন্মানিক লাভ কৰা ব্যক্তিৰ মুঠ সংখ্যা ৩১ জানুৱাৰী, ২০২৬ তাৰিখলৈ কিমান?

(১) নিয়মীয়া চৰকাৰী কৰ্মচাৰী কিমান?

(২) চুক্তিভিত্তিক কৰ্মচাৰী কিমান?

(৩) মাষ্টাৰ ৰোল আৰু নৈমিত্তিক কৰ্মী কিমান?

(৪) ২০২১ চনৰ ৩০ জুনৰ পৰা ২০২৬ চনৰ ১ জানুৱাৰীৰ ভিতৰত কিমানজন নতুন ব্যক্তিয়ে দৰমহা গ্ৰহণ কৰিছে?

খ) ইয়াৰে কিমানজন ব্যক্তিয়ে এইখিনি সময়ত অসম চৰকাৰৰ অধীনত এটা চৰকাৰী চাকৰিৰ পৰা আন এটা চৰকাৰী চাকৰি গ্ৰহণ কৰিছে?

(১) কিমানজনে চাকৰিৰ পৰা পদত্যাগ কৰিছে?

(২) কিমানজনৰ নতুন NPS একাউন্ট খোলা হৈছে?

(৩) কিমানজনৰ নতুন UPS একাউন্ট খোলা হৈছে?

(৪) কিমানজনৰ NPS একাউন্টত অসম চৰকাৰৰ তৰফৰ পৰা টকা জমা কৰা হৈছে আৰু কিমান শতাংশকৈ কৰা হৈছে?

(৫) কিমানজনৰ UPS একাউন্টত অসম চৰকাৰৰ তৰফৰ পৰা টকা জমা কৰা হৈছে আৰু কিমান শতাংশকৈ কৰা হৈছে?

গ) তলত দিয়া তালিকা অনুসৰি ২০১৫ আৰু ২০২৫ চনৰ ভিতৰত অৱসৰ প্ৰাপ্ত চাকৰিয়ালৰ সংখ্যা, খালী পদ আৰু পদ পূৰণৰ সবিশেষ দাঙি ধৰিব।

| চন | অৱসৰ প্ৰাপ্ত চাকৰিয়ালৰ সংখ্যা | খালী পদ | পদ পূৰণ |
|---|---|---|---|
| ২০১৫ | | | |
| ২০১৬ | | | |
| ২০১৭ | | | |
| ২০১৮ | | | |
| ২০১৯ | | | |
| ২০২০ | | | |
| ২০২১ | | | |
| ২০২২ | | | |
| ২০২৩ | | | |
| ২০২৪ | | | |
| ২০২৫ | | | |

## উত্তৰ

মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী, শ্ৰীমতী অজন্তা নেওগে উত্তৰ দিব ।

(ক) (১) নিয়মীয়া চৰকাৰী কৰ্মচাৰীৰ সংখ্যা হ'ল ৪,২৩,৮১৭ গৰাকী (ডিটেইল হেড-০১ ৰ অধীনত দৰমহা লোৱা কৰ্মচাৰীসকল)।

(২) যিহেতু ইয়াৰ লগত একাধিক বিভাগ জড়িত হৈ আছে, সংশ্লিষ্ট বিভাগ সমূহৰ পৰা বিতং তথ্য বিচৰা হৈছে৷ পৰৱৰ্তী সময়ত বিভাগসমূহৰ পৰা লাভ কৰা তথ্যসমূহ দাখিল কৰা হ'ব।

(৩) ফিক্সড পে' – ১,৪৮৯ গৰাকী, মিনিমাম পে' স্কেল – ৭০০৯ গৰাকী, মাষ্টাৰ ৰোল – ৬১৪ গৰাকী, ৱেজেড কৰ্মচাৰী ১,২৪,৩৪৩ গৰাকী, আৰু ৱৰ্ক-চাৰ্জ কৰ্মচাৰী – ৭৯২ গৰাকী।

(৪) ২০২১ চনৰ ৩০ জুনৰ পৰা ২০২৬ চনৰ ১ জানুৱাৰীৰ ভিতৰত ১,১৩,৩৫০ গৰাকী ব্যক্তিয়ে দৰমহা গ্ৰহণ কৰিছে। (কেৱল নিয়মীয়া কৰ্মচাৰী)।

(খ) যিহেতু ইয়াৰ লগত একাধিক বিভাগ জড়িত হৈ আছে, সংশ্লিষ্ট বিভাগ সমূহৰ পৰা বিতং তথ্য বিচৰা হৈছে। পৰৱৰ্তী সময়ত বিভাগসমূহৰ পৰা লাভ কৰা তথ্যসমূহ দাখিল কৰা হ'ব।

(১) যিহেতু ইয়াৰ লগত একাধিক বিভাগ জড়িত হৈ আছে, সংশ্লিষ্ট বিভাগ সমূহৰ পৰা বিতং তথ্য বিচৰা হৈছে। পৰৱৰ্তী সময়ত বিভাগসমূহৰ পৰা লাভ কৰা তথ্যসমূহ দাখিল কৰা হ'ব।

(২) মুঠ ১,১২,০৮৪ গৰাকীৰ নতুন NPS একাউণ্ট খোলা হৈছে।

(৩) মুঠ ৭৯ গৰাকীৰ নতুন UPS একাউণ্ট খোলা হৈছে। (এইসকল সৰ্বভাৰতীয় সেৱাৰ বিষয়া।

(৪) ১,১১,১৮৭ গৰাকীৰ NPS একাউণ্টত অসম চৰকাৰৰ তৰফৰ পৰা বেচিক পে' + ডিএৰ ১৪ শতাংসকৈ টকা জমা কৰা হৈছে।

(৫) UPS একাউণ্টত কোনো বিষয়া-কৰ্মচাৰীৰ টকা জমা হোৱা নাই।

(গ) যিহেতু ইয়াৰ লগত একাধিক বিভাগ জড়িত হৈ আছে, সংশ্লিষ্ট বিভাগ সমূহৰ পৰা বিতং তথ্য বিচৰা হৈছে। পৰৱৰ্তী সময়ত বিভাগসমূহৰ পৰা লাভ কৰা তথ্যসমূহ দাখিল কৰা হ'ব।

******

উত্তৰ সমুহ পৰিশিষ্টসহ ই-বিধানত আপল'ড কৰা হ'ল।